**ইনকাম চাৰ্টিফিকেট নালাগে অৰুণোদয়ত**
ই-সংবাদ, ২২ ডিচেম্বৰঃ ৰাজ্য চৰকাৰৰ ভোট কেন্দ্ৰিক আৰু ৰাজ্যত চৰকাৰী আঁচনিৰ সবাতোকৈ ৪ পৃষ্ঠাত চাওক

www.newsnextone.com
# e সংবাদ

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

MONDAY, DECEMBER 23, 2024 ■ সোমবাৰ, ৭ পুহ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩৫০ Guwahati, Assam ।। মূল্যঃ এটকা

# ৰাজ্যত পুনৰ বাল্য বিবাহ বিৰোধী অভিযান, ৪১৬ জন ধৃত

**ই-সংবাদ, ২২ ডিচেম্বৰঃ** ৰাজ্যৰ বিৰোধী দলে স্মাৰ্ট মিটাৰ, আদানীৰ উৎকোচ কাণ্ড, মণিপুৰৰ হিংসা ৰোধ কৰি শান্তি বাহাল কৰাৰ দাবীত নেৰা-নেপেৰা প্ৰতিবাদ আৰম্ভ কৰাৰ সময়তে ৰাজ্যত ধৰ্ম বিশেষক টাৰ্গেট কৰি লৈ অভিযান চলোৱাৰ অভিযোগ উত্থাপন হৈছে। ৰাজ্যত



চৰকাৰৰ বিৰোধী পৰিৱেশ গঢ় লৈ উঠাৰ সময়তে নামনি অসমত ধৰ্ম বিশেষক টাৰ্গেট কৰি অসম আৰক্ষীয়ে অভিযান আৰম্ভ কৰিছে। স্থানীয় গাঁওবুঢ়া, গাঁওৰক্ষী বাহিনীৰ সহযোগত মধ্য অসম আৰু নামনি অসমৰ কেবাখনো জিলাত নিশাৰে পৰা চলা অভিযানত চাৰি শতাধিক শেষাংশ ৩ পৃষ্ঠাত

**জনতাই বিচাৰিব নোৱাৰিব চিচিটিভিৰ ফুটেজ, ই-ডকুমেণ্ট**

# নিৰ্বাচনী প্ৰক্ৰিয়াৰ বিধি সলাবলৈ সাজু কেন্দ্ৰ




**গণতন্ত্ৰৰ কণ্ঠ ৰোধৰ আশংকা বিৰোধীৰ!**

**নতুন দিল্লী, ২২ ডিচেম্বৰঃ** সাধাৰণ জনতাৰ গণতান্ত্ৰিক অধিকাৰৰ ওপৰত আঘাত হানিবলৈ সাজু হৈছে কেন্দ্ৰীয় চৰকাৰ। এতিয়াৰে পৰা সাধাৰণ নাগৰিকৰ বাবে উপলব্ধ নহ'ব নিৰ্বাচনী প্ৰক্ৰিয়াৰ সৈতে জড়িত শেষাংশ ৫ পৃষ্ঠাত

## কংগ্ৰেছত যোগ দিবলৈ ভৰি দাঙি আছে ১৮ জন বিজেপিৰ নেতা! দাবী ভূপেন বৰাৰ

**ই-সংবাদ, ২২ ডিচেম্বৰঃ** প্ৰাক্তন মন্ত্ৰী-বিধায়কসহ ১৮গৰাকী বিজেপি নেতাই যোগাযোগ ৰক্ষা কৰিছে কংগ্ৰেছৰ সৈতে। যদি চৰ্ত অনুযায়ী কংগ্ৰেছ টিকট দিয়াৰ চূড়ান্ত কৰে তেন্তে ১৮ জন বিজেপি নেতাই কংগ্ৰেছত যোগদান কৰিবলৈ ভৰি দাঙি আছে। শেষাংশ ২ পৃষ্ঠাত

# মহাধিবক্তাৰ নীতি বিৰুদ্ধ কাৰ্যক লৈ সৰৱ বিৰোধী দলপতি

**আকৌ দায়সৰা মন্তব্য দেৱজিৎ লনৰ**

**ই-সংবাদ বিশেষ, ২২ ডিচেম্বৰঃ** পুনৰ বিতৰ্কৰ আৱৰ্তত সোমাই পৰিছে অসমৰ মহাধিবক্তা দেৱজিৎ লন শইকীয়া। কেবিনেট মন্ত্ৰীৰ মৰ্যাদা থকা পদবীৰ এজন লোক অন্য চৰকাৰী লাভজনক পদ গ্ৰহণ কৰিব পাৰিব নে শেষাংশ ৪ পৃষ্ঠাত





# জয়ন্ত মাধৱ বৰালৈ 'বাক্য সাহিত্য বঁটা'

**ই-সংবাদ, শিৱসাগৰ, ২২ ডিচেম্বৰঃ** 'বৰ্তমান সমাজখন যথেষ্ট অস্থিৰ হৈ পৰিছে। ভয়-শংকাৰ মাজত আমি আছো। এনে সময়তে কিন্তু শেষাংশ ৪ পৃষ্ঠাত

**অকৰ্মণ্য বন বিভাগ!**

# কলিয়াবৰত ঘূৰিছে নৰখাদক

**ই-সংবাদ, ২২ ডিচেম্বৰঃ** ৰাজ্যৰ বন বিভাগ নামৰ বিভাগটো নিষ্কৰ্মা হৈ পৰাৰ ফলতে এতিয়া নৰখাদক বাঘৰ ভয়ত ঘৰৰ পৰা ওলাব নোৱাৰা হৈছে মানুহ। ৰাজ্যৰ এটা এলেকাত নিশা দূৰৈৰ কথা, দিনতে মানুহে ঘৰৰ পৰা শেষাংশ ২ পৃষ্ঠাত

# ফুলনি মানে বাগিচা! বিজেপিয়ে আন্দোলন নহয় প্ৰতিবাদ কৰিছেঃ হিমন্ত

**ই-সংবাদ, ২২ ডিচেম্বৰঃ** বিজেপি দলে ক'তো আন্দোলন কৰা নাই। বিজেপি দলে মাত্ৰ ৰাহুল গান্ধীৰ বিৰুদ্ধে বিচাৰ লাগে বুলি সমদল






উলিয়াইছে। ইয়াত তেওঁলোকৰ কোনো দাবী নাই। সাংবাদিকক নীতি শিক্ষা দি মুখ্যমন্ত্ৰীয়ে কয়, সাংবাদিকে শেষাংশ ৩ পৃষ্ঠাত

# সোণোৱালৰ গৃহ চহৰত আজি হ'ব কেবিনেট

**ই-সংবাদ, ২২ ডিচেম্বৰঃ** নৱনিযুক্ত মন্ত্ৰী প্ৰশান্ত ফুকন, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ গৃহ চহৰত কাইলৈ অনুষ্ঠিত হ'ব মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন মন্ত্ৰীসভাৰ বৈঠক। শেষাংশ ২ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# সোণোৱালৰ গৃহ চহৰত আজি

উজনিৰ দুই নেতাৰ গৃহ চহৰ ডিব্ৰুগড়ত কেবিনেট বৈঠক অনুষ্ঠিত কৰিবলৈ জিলাখনৰ প্ৰশাসন সাজু হৈছে। কাইলৈ আবেলি ৫ বজাৰ পিছত জিলাখনৰ সদৰত উপস্থিত হ'ব মুখ্যমন্ত্ৰী। তাৰ পূৰ্বেই মন্ত্ৰীসকল উপস্থিত হ'ব। কেন্দ্ৰীয় মন্ত্ৰী তথা প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ গৃহ জিলাত প্ৰথমবাৰ অনুষ্ঠিত হ'বলগীয়া কেবিনেটক লৈ নকৈ মন্ত্ৰীত্ব লাভ কৰা প্ৰশান্ত ফুকন এদিন পূৰ্বে জিলা সদৰত উপস্থিত হয়। মন্ত্ৰীসভাৰ বাবে বদনাম নোহোৱাকৈ থলুৱা খাদ্যৰ ব্যৱস্থা কৰা বুলি জানিব পৰা গৈছে। ইপিনে নৱনিযুক্ত মন্ত্ৰী প্ৰশান্ত ফুকন মন্ত্ৰী পদৰ দায়িত্ব লৈয়ে নিজ জিলাৰ সদৰত কেবিনেট পাতি শক্তি দেখুৱাবলৈ সক্ষম হৈছে। ডিব্ৰুগড জিলাত অনুষ্ঠিত কেবিনেট বৈঠকত টাই-আহোম, চুতীয়া, মৰাণ-মটক আদি জনগোষ্ঠীৰ বাবে বিশেষ সিদ্ধান্ত ল'ব পাৰে বুলি জানিব পৰা গৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছত যোগ দিবলৈ ভৰি দাঙি

আজি লখিমপুৰত কংগ্ৰেছৰ সভাত অংশ লৈ এই দাবী কৰিছে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। আজি ভূপেন বৰাই আত্মবিশ্বাসেৰে কয় যে বিজেপিৰ ১৮ জনমান নেতাই মোৰ সৈতে যোগাযোগ কৰি আছে। মোক কৈছে। টিকট দিয়ে যদি কংগ্ৰেছলৈ আহি আছো। তাৰ মাজৰ পৰা কেইজনামনক মই দলত লৈ ল'ম। আজি এই বিস্ফোৰণ ঘটাই প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই লখিমপুৰৰ দলীয় সভাত কয় যে কংগ্ৰেছত যোগদান কৰিব খুজিছে খোদ বিজেপিৰ বিধায়কে। সকলো মিলি ১৮ জন বিজেপি নেতাই কংগ্ৰেছত যোগদান কৰিব খুজিছে। আমাৰ লখিমপুৰৰ ফালৰ আছে দুজনমান প্ৰাক্তন মন্ত্ৰী, প্ৰাক্তন বিধায়ক, যিয়ে কংগ্ৰেছত যোগ দিব খোজে। কিন্তু ভূপেন বৰাই কয় যে আমাৰ ঘৰত ধেৰ মানুহ আছে। আমি সকলোকে টিকট দিব নোৱাৰো। কিন্তু টিকট দিম বুলি ক'লে দৌৰা-দৌৰি কৰি আহিবলৈ বহু মানুহ ৰৈ আছে। তাৰ মানে এয়াই যে মানুহৰ মনত ধাৰণা হৈ গৈছে যে কংগ্ৰেছ আকৌ ক্ষমতালৈ ঘূৰি আহিব। ২০২৬ চনত মুখ্যমন্ত্ৰীক পৰাজিত কৰিব বুলি দাবী কৰি ভূপেন বৰাই কয় যে বিমান ভ্ৰমণৰ সময়ত বিমানত লগ পাইছিলো মুখ্যমন্ত্ৰীক। তেতিয়া মই কৈছিলো আপুনি মোতকৈ বহুত শক্তিশালী। টকা বহুত আছে। একেবাৰে কোৰোণাৰে চপাই টকাৰ পাহাৰ বনাই দিছে। ইমাম ডাঙৰ পাহাৰ যে মই ঢুকিয়ে নাপাও। আপুনি হিতাধিকাৰী দি আছে। হিন্দুত্ব কৰি আছে। আপোনাৰ হাতত পুলিচ-এছপি-ডিএছপি সব আছে। কিন্তু আপোনাক মই ২০২৬ত হৰুৱাম। তেতিয়া মুখ্যমন্ত্ৰীয়ে কৈছিল মোক কেনেকৈ হৰুৱাবা। তেতিয়া মই কৈছিলো আপোনাৰ বিৰুদ্ধে গাঁৱৰ মানুহৰ মনত বহুত ক্ষোভ আছে। সেই ক্ষোভক মই ভোট বনাম। আজি লখিমপুৰত ১৮ জনকৈ বিজেপি নেতা যোগদান কৰিবলৈ সাজু, মুখ্যমন্ত্ৰীৰে বিমানত প্ৰায় ডেৰ ঘণ্টা সময় বাৰ্তালাপ কৰাৰ প্ৰসংগ উল্লেখ কৰি ভূপেন বৰাই বিজেপিক আক্ৰমণৰ লক্ষ্য কৰি লয়। ভূপেন বৰাৰ এই মন্তব্যই এতিয়া বহন কৰিছে বিশেষ তাৎপৰ্য। আজি লখিমপুৰ জিলা কংগ্ৰেছৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। লখিমপুৰ জিলা কংগ্ৰেছৰ সভাপতি গগন বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত শ্বহীদ মৃদুল ইছলামৰ প্ৰতিকৃতি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। সভাত নিখিল ভাৰত কংগ্ৰেছৰ সম্পাদক তথা প্ৰদেশ কংগ্ৰেছৰ সহ-তত্বাৱধায়ক মনোজ চৌহান, প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক অৰুণ তিৱাৰী, ড০ জয়প্ৰকাশ দাস, ঘনকান্ত বুঢ়াগোহাঁই, জিন্তু হাজৰিকা উপস্থিত থাকে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কলিয়াবৰত ঘূৰিছে নৰখাদক

অকলশৰে ওলাব নোৱাৰা হৈছে। চাৰি-পাঁচজন মানুহে হাতত টাঙোন, দা, কুঠাৰ লৈহে ঘৰৰ পৰা ওলাবলৈ বাধ্য হৈছে। কিয়নো মানুহক চিকাৰৰ বাবে চোপ লৈ থকা নৰখাদকে সংঘটিত কৰি দিব পাৰে অঘটন। গাত জঁপিয়াই মানুহ এজনক জংঘললৈ টানি নিবলৈ বেছি সময় নালাগিব। কিয়নো নৰখাদকৰ মুখত লাগিছে মানুহৰ তেজ-মঙহৰ সোৱাদ। তেনেই এক পৰিৱেশে বিৰাজ কৰিছে নগাঁও জিলাৰ কলিয়াবৰত। অঞ্চলটোত বাঘৰ চিকাৰ হ'ল এগৰাকী লোক। পথৰ পৰা টানি নি জংঘলত মানুহৰ মঙহৰ সোৱাদ ল'লে নৰখাদক ৰূপী বাঘে। বিয়াগোম বন বিভাগ এটা থকাৰ পিছতো বাঘে মানুহ চিকাৰ কৰি ভক্ষণ কৰাৰ ঘটনাই ৰাজ্যজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। নগাঁও জিলাৰ কলিয়াবৰত মানুহৰ শৰীৰৰ অৱশিষ্ট উদ্ধাৰৰ পিছতে বাঘে মানুহক চিকাৰ কৰি ভক্ষণ কৰাৰ সন্দেহ কৰা হৈছে। প্ৰায় তিনিটা বছৰে কলিয়াবৰৰ বিভিন্ন এলেকাত বাঘৰ আতংকৰ মাজতে শনিবাৰে নিশা সংঘটিত ঘটনাই গাৰ নোম শিয়ৰাই তুলিছে মানুহক। দেওবাৰে জংঘলত এটা নৰমুণ্ড আৰু মৃতদেহৰ অৱশিষ্ট উদ্ধাৰ হয়। উদ্ধাৰ হোৱা অৱশিষ্টত লাগি থকা পোছাকৰ পৰা লোকজন বাসুদেৱ কৰ্মকাৰ বুলি চিনাক্ত কৰা হৈছে। শনিবাৰৰ পৰা অন্তৰ্ধান হৈ থকা বাসুদেৱ কৰ্মকাৰ বাঘৰ আক্ৰমণত নিহত হোৱাৰ লগতে শৰীৰ ভক্ষণ কৰা বুলি ঠিৰাং কৰিছে ৰাইজে তথা প্ৰশাসনে। ৫৫ বছৰীয়া বাসুদেৱ কৰ্মকাৰৰ ক্ষত-বিক্ষত মৃতদেহ দেওবাৰে পুৱা শিলঘাট-সোণাৰি অঞ্চলৰ পাহাৰত উদ্ধাৰ হয়। প্ৰায় ৬০ কেজি ওজনৰ মানুহজনৰ কেৱল প্ৰায় ৫ কেজি অৱশিষ্ট হে উদ্ধাৰ হৈছে। দিনতে টানি নি বাঘে খাদ্য কৰিছে বাসুদেৱক। এই খবৰ বিয়পি পৰাৰ পিছতে আতংকৰ সৃষ্টি হয়। ভয়ত মানুহৰ হাত-ভৰি পেটত লুকাইছে। চাহ শ্ৰমিক আৰু অন্যান্য লোকসকলে শ্ৰমলৈ নোযোৱাকৈ থাকে। বন বিভাগ এই খবৰ লাভ কৰাত এটা বৃহৎ দল আৰু আৰক্ষীৰ এটা বৃহৎ দলে মৃতদেহৰ অৱশিষ্ট উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে। মৃতদেহৰ অৱশিষ্ট প্ৰত্যক্ষ কৰি মানুহজনক যে হিংস্ৰ প্ৰাণীয়ে ভক্ষণ কৰিছে সেয়া স্পষ্ট হয়। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা বাঘে খাদ্যৰ সংকটত পৰিছে বুলি সন্দেহ কৰিছে ৰাইজে। খাদ্যৰ সংকটত পৰাৰ ফলতে বনৰীয়া জীৱ-জন্তু বা গোহালিৰ পৰা গৰু নিব নোৱাৰাৰ ফলতে নৰ চিকাৰ কৰিবলৈ বাধ্য হৈছে। যদি কলিয়াবৰ বিভিন্ন এলেকাৰ পৰা বাঘটো পিঞ্জৰাবন্ধ কৰি নিব নোৱাৰে তেতিয়া হ'লে স্থানীয় ৰাইজে মুক্তমনে জীয়াই থাকিব নোৱাৰাৰ লগতে দৈনন্দিন কাম-কাজৰ ক্ষতি হোৱাত ভয়ংকৰ বিপদত পৰিব বুলি চিন্তা ব্যক্ত কৰিছে ৰাইজে। স্থানীয় ৰাইজে কয় যে বাঘৰ আক্ৰমণ আছিল ভয়ংকৰ। এই ঘটনাই জনসাধাৰণৰ মাজত ভয়-ক্ষোভৰ সৃষ্টি কৰিছে। কালিয়াবৰ চাহ বাগিচা অঞ্চলৰ স্থানীয় লোকে বাসুদেৱৰ পৰিয়ালৰ বাবে ন্যায় আৰু ক্ষতিপূৰণ দাবী কৰি শিলঘাট আৰক্ষীক এজাহাৰ দাখিল কৰিছে। চাহ বাগিচাৰ শ্ৰমিক আৰু স্থানীয় সংগঠনসমূহে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। ইপিনে যদি এই সমস্যা সমাধান নকৰে তেন্তে কাইলৈ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰাৰ হুংকাৰ দিছে চাহ বাগিচাৰ শ্ৰমিক আৰু স্থানীয় সংগঠনসমূহে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দেওবাৰে নিশ্চিত কৰিছে যে কলিয়াবৰ বাঘ আক্ৰমণ নিহত বাসুদেৱ কৰ্মকাৰৰ পৰিয়ালক ক্ষতিপূৰণ প্ৰদান কৰা হ'ব। পৰিয়ালক ক্ষতিপূৰণ দিয়াৰ আশ্বাস দি ব্যক্তিগতভাৱে বিষয়টো চোৱা-চিতা কৰিম বুলি কয় মুখ্যমন্ত্ৰীয়ে। স্থানীয় চাহ জনগোষ্ঠীৰ সংগঠনে চৰকাৰক বাঘৰ আতংকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক সতৰ্ক কৰি দিয়ে। সংগঠনে কয় যে তিনি বছৰ ধৰি বাঘৰ সন্ত্ৰাসৰ সৈতে আমি যুঁজি আছো। বিশেষকৈ কলিয়াবৰ চাহ বাগিচা, কামাখ্যাগাঁও, সোণাৰি, সোণাৰি চাহ বাগিচা অঞ্চল আমি আতংকত দিন পাৰ কৰিছো। চাহ শ্ৰমিক সংঘ আৰু ছাত্ৰ সংগঠনসমূহে বাৰে বাৰে এই সমস্যা সমাধানৰ বাবে আবেদন কৰা স্বত্বেও বন বিভাগে কোনো গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱা নাই বুলি অভিযোগ আনিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যত পুনৰ বাল্য বিবাহ বিৰোধী

পুৰুষক বাল্যবিবাহ কৰোৱাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এক্সত প্ৰকাশ কৰা তথ্যমতে ২১ ডিচেম্বৰৰ পৰা আজি দিনৰ ভাগলৈ চলা প্ৰায় ৩০ ঘণ্টীয়া অভিযানত ৪১৬গৰাকী লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে ৩৩৫টা গোচৰ ৰুজু কৰা হৈছে। ৩০ ঘণ্টাৰ ভিতৰতে ৰাজ্যজুৰি অভিযান চলাই ৪১৬গৰাকী লোকক বাল্যবিবাহ কৰোৱাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈ আৰি এই লোকসকলক আজি আদালতত হাজিৰ কৰোৱা হয়। এই অভিযানত বিবাহৰ যোগ্য নোহোৱা কন্যাক বিয়া কৰোৱা লোকসকলক টাৰ্গেট কৰি লোৱা হৈছে। ইতিমধ্যে ৰাজ্য চৰকাৰে বেআইনী বিবাহৰ পৰম্পৰাৰ বিৰুদ্ধে আইন বলবৎ কৰিছে। মধ্য অসমৰ হোজাই, নামনি অসমৰ বজালী, ধুবুৰী, গোৱালপাৰা, দক্ষিণ শালমাৰা-মানকাচৰ আদি জিলাত চলে এই অভিযান। ধুবুৰী জিলাত ৬৮ জন, হোজাইত ১৫ জন, দক্ষিণ শালমাৰা-মানকাচৰত বজালীত ৭, গোৱালপাৰাত ২০ জনক গ্ৰেপ্তাৰ কৰিছে। ধুবুৰী জিলাৰ ধুবুৰী সদৰ আৰক্ষী থানা এলেকাত ১৭, গোলকগঞ্জত ১০, গৌৰীপুৰত ১৩, বিলাসীপাৰত ১৬, আগমণিত ৪ আৰু তামাৰহাটত ৩ জন লোকক বাল্যবিবাহ কৰোৱাৰ অভিযোগত গ্ৰেপ্তাৰ কৰিছে জিলাৰ বিভিন্ন আৰক্ষী থানাই। হোজাই জিলাতো হোজাই আৰক্ষীয়ে ১৫ জন গ্ৰেপ্তাৰ কৰিছে। গোৱালপাৰাত ২০ জনতকৈ অধিক লোকক বাল্যবিবাহৰ কৰোৱাৰ অভিযোগত গ্ৰেপ্তাৰ কৰিছে। দক্ষিণ শালমাৰা-মানকাচৰতো বাল্যবিবাহ বিৰোধী অভিযান চলে। অভিভাৱক, স্বামীসহ ৪১ জন লোকক আটক কৰিছে। মানকাচৰ আৰক্ষী থানা এলেকাত ১১, কালাপানী আৰক্ষী চকী, দক্ষিণ শালমাৰা আৰক্ষী থানা আৰু সুখচৰ আৰক্ষী থানা এলেকাত ৬ জনকৈ, বন্দিহানা আৰক্ষী চকী এলেকাত ২ জন, ফকিৰগঞ্জ থানা এলেকাত ৩ জন আৰু খাৰুৱাবান্ধা আৰক্ষী চকী এলেকাত ৭ জনক গ্ৰেপ্তাৰ কৰা হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বাল্যবিবাহ কৰোৱাৰ অভিযোগত ইমানখিনি লোকক গ্ৰেপ্তাৰ কৰাৰ পিছতে টুইটত প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে অসমে বাল্য বিবাহৰ বিৰুদ্ধে যুঁজ অব্যাহত ৰাখিছে। ২১-২২ ডিচেম্বৰৰ নিশাৰে পৰা আৰম্ভ কৰি তৃতীয় পৰ্যায়ৰ অভিযানত ৪১৬ জন গ্ৰেপ্তাৰ কৰা হৈছে আৰু ৩৩৫টা গোচৰ ৰুজু কৰা হৈছে। গ্ৰেপ্তাৰ কৰা ব্যক্তিসকলক আজি আদালতত হাজিৰ কৰোৱা হ'ব। আমি সামাজিক অশুভ শক্তিৰ সমাপ্তিৰ বাবে সাহসী পদক্ষেপ অব্যাহত ৰাখিম। ইপিনে ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে বাল্যবিবাহৰ বিৰুদ্ধে চলোৱা অভিযানক লৈ মুখ্যমন্ত্ৰী তথা চৰকাৰে ৰাজনীতি কৰাৰ গুৰুতৰ অভিযোগ আনিছে। দুটাকৈ ফেচবুক পোষ্টত অখিল গগৈয়ে চৰকাৰ তথা ৰাজ্য চৰকাৰক আক্ৰমণৰ লক্ষ্য কৰি লয়। এটা পোষ্টত গগৈয়ে মুখ্যমন্ত্ৰীক টেগ কৰি কয় যে মুখ্যমন্ত্ৰীৰ পৰা আমি মূল্যবৃদ্ধিৰ বিৰুদ্ধে অভিযান বিচাৰো। আন এটা পোষ্টত কয় যে যেতিয়াই অসম চৰকাৰৰ বিৰুদ্ধে অসমবাসীৰ ক্ষোভৰ দাবানল জ্বলি উঠে লগে লগে হিমন্ত বিশ্ব শৰ্মাই উচ্ছেদ, বাল্য বিবাহৰ বিৰুদ্ধে অভিযান আদি হিন্দু-মুছলমানৰ ঢোলটো বজাই দিয়ে। মানুহে হাল এৰি শিয়াল খেদিবলৈ লাগি যায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ফুলনি মানে বাগিচা! বিজেপিয়ে

দৰমহা বৃদ্ধি কৰিব লাগে বুলি এটা সমদল উলিয়াইছে। ইয়াত গেট ভঙা, হাকোটাৰে ওপৰেৰে পাৰ হৈ যোৱা তেনেকুৱা একো হোৱা নাই। আজি প্ৰতিদিনৰ হেড লাইনটোৱে ভুল হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কংগ্ৰেছে ৰাজভৱনত কৰা প্ৰতিবাদ সন্দৰ্ভত প্ৰতিক্ৰিয়া দি প্ৰতিবাদ কৰাটো ৰাজনৈতিক দলৰ কাম নহয় বুলি কৈছিল। কিন্তু মুখ্যমন্ত্ৰীয়ে আন্দোলন কৰাটো ৰাজনৈতিক দলৰ কাম নহয় বুলি কোৱাৰ কেইটামান ঘণ্টাৰ পিছতে অসম ৰাজ্যিক বিজেপিয়ে গুৱাহাটীত আন্দোলন কৰাত আজি প্ৰতিক্ৰিয়া ব্যক্ত কৰি এনেদৰে কয়। আজি লখিমপুৰত মুখ্যমন্ত্ৰীয়ে কয় যে আমি আন্দোলন কৰা নাই। চৰকাৰৰ বিৰুদ্ধে কোনো ক্ষোভ প্ৰকাশ কৰা নাই। মাত্ৰ উত্তৰ-পূবৰ মহিলাৰ ওপৰত ৰাহুল গান্ধীয়ে কৰা অভদ্ৰ আচৰণৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছে। এইটো আন্দোলন নহয়। দৰমহা বঢ়াব লাগে, কাৰোবাক কিবা দিব লাগে, তেনেকুৱা আন্দোলন নহয়। অসমক কোনোবাই অপমান কৰিলে তাৰ বিৰুদ্ধে প্ৰতিবাদ হ'ব বুলি কৈ মুখ্যমন্ত্ৰীয়ে কয়ে যে তাত কোনো আপত্তি নাই। ইপিনে মৃদুল ইছলামক চাকৰি দিবলৈ কৰা ভূপেন বৰাৰ পত্ৰ সন্দৰ্ভত হিমন্ত বিশ্ব শৰ্মাই কয় যে যিকোনো মৃত্যুৱেই দুখজনক। চাকৰি দিয়াৰ আগতে পুলিচৰ অনুসন্ধান আৰু গোটেই তদন্তটো শেষ হ'ব লাগিব। তদন্তৰ পিছতে আমি গম পাম যে ব্যক্তিগৰাকীৰ মৃত্যুৰ কাৰণ কি? মৃত্যুৰ কাৰণ এতিয়ালৈকে ওলোৱা নাই। যদি আৰক্ষীৰ ভুল ওলাই তেতিয়াহ'লে চৰকাৰী চাকৰি বা ক্ষতিপূৰণ দিম। আজি দিনজোৰা কাৰ্যসূচীৰে লখিমপুৰ ভ্ৰমণ কৰা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসম চৰকাৰৰ 'বিকাশৰ ১২ দিন' কাৰ্যসূচীত অংশগ্ৰহণ কৰে। আজি পুৱাই লখিমপুৰলৈ মুখ্যমন্ত্ৰীক আদৰণি জনাই দুই বিধায়ক মানৱ ডেকা আৰু অমিয় কুমাৰ ভূঞাই। লখিমপুৰৰ পৰাই ভাৰ্চুৱেলী ৰেচন কাৰ্ড যোগান কাৰ্যসূচীত অংশ লৈ ৫ লাখ ৰেচন কাৰ্ড বিতৰণৰ শুভাৰম্ভ কৰে। মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰা মতে, এতিয়া পৰা ৰেচন কৰাড থকা পৰিয়ালে সুলভ মূল্যত চাউল, দাইল আৰু চেনি পাব। ২৮ ডিচেম্বৰলৈ অৰুণোদয় আঁচনিৰ হিতাধিকাৰী নিৰ্বাচন প্ৰক্ৰিয়া চলি আৰু ৰেচন কাৰ্ড থকাসকলে গাঁওসভাত আবেদন জমা দিলেই অৰুণোদয় পাবলৈ সক্ষম হ'ব। লগতে প্ৰধানমন্ত্ৰীৰ আয়ুষ্মান ভাৰত আৰু মুখ্যমন্ত্ৰীৰ আয়ুস্মান অসমৰ সুবিধাও পাব। উত্তৰ লখিমপুৰ জিলাৰ চুকুলিভৰীয়া খেলপথাৰত অনুষ্ঠিত ৰাজহুৱা সভাত লখিমপুৰ চৰকাৰী আইন মহাবিদ্যালয়ৰ উদ্বোধন আৰু চৰকাৰী নাৰ্চি মহাবিদ্যালয়ৰ শিলান্যাস কৰে। মাইক্ৰ ফাইনেন্স উদগনি আৰু সকাহ আঁচনীৰ অধীনত ন' ডিউজ চাৰ্টিফিকেট, দুৰ্যোগ প্ৰভাৱিত ২২,১৩৬ গৰাকী লোকক ক্ষতিপূৰণ, ৯৬৬১ গৰাকী হিতাধিকাৰীক নতুন ৰেচন কাৰ্ড বিতৰণ কৰে। মুখ্যমন্ত্ৰীয়ে লখিমপুৰ জিলাৰ পানীগাওঁ খাৰকাটি আহোমনি মিৰিগাঁও পথৰ ফটাসুঁতি ঘাটত ৰঙানদীৰ ওপৰত দলং মুকলি কৰে। অনুষ্ঠানত বিধায়ক মানৱ ডেকা, নৱ কুমাৰ দলে, ড০ অমিয় কুমাৰ ভূঞাকে ধৰি জিলাখনৰ কেবাজনো শীৰ্ষৰ বিজেপি নেতা উপস্থিত থাকে।

# বিলাসী বাহনেৰে গৰু চুৰি কৰিবলৈ আহি ধৃত মুক্তাৰ আলী

**ই-সংবাদ, মঙলদৈ, ২২ ডিচেম্বৰঃ** বিলাসী বাহনেৰে আহি মঙলদৈ থানাৰ অন্তৰ্গত ডেকাৰগাঁৱৰ এঘৰত গৰু চুৰ কৰিবলৈ সোমাওতেই ৰাইজৰ সহযোগত গাঁও ৰক্ষী বাহিনী (ভিডিপি)য়ে আটক কৰে বিলাসী বাহনসহ এটা চোৰক। ধৃত মুক্তাৰ আলী নামৰ চোৰটোক উত্তম-মধ্যম শোধাই ৰাইজে মঙলদৈ আৰক্ষীক গতাই দিয়ে। উল্লেখযোগ্য যে শনিবাৰে নিশা মঙলদৈৰ ডেকাৰগাঁৱত চাৰিটা চোৰে গৰু চুৰিৰ উদ্দেশ্যে এখন ব্ৰিজা বাহনেৰে আহি প্ৰৱেশ কৰে গাঁওখনৰে আজিজুল হক নামৰ গো-পালকজনৰ গৃহত। চোৰ অহাৰ উমান পাই লগে লগে ভি ডি পিৰ সদস্যসকল উপস্থিত হয় আজিজুল হকৰ ঘৰত। স্থানীয় ৰাইজৰ সহযোগত ভিডিপিয়ে গাওঁখনৰ চাৰিওদিশ ঘেৰি লৈ তালাচী চলাই মুক্তাৰ আলীক কৰায়ত্ব কৰিবলৈ সক্ষম হয়। ধৃত মুক্তাৰ আলীৰ ঘৰ কামৰূপৰ হাজোত। ইয়াৰ বিপৰীতে এএছ ১৩ এন ৯০৬৬ নম্বৰৰ ব্ৰিজা বাহনেৰে চোৰ কৰিবলৈ অহা আন তিনিটা চোৰ পলাই সাৰি যাবলৈ সক্ষম হয়। লক্ষণীয় যে ব্ৰিজা বাহনখনৰ পৰা ৰাইজে দুটাকৈ গৰু উদ্ধাৰ কৰে। ৰাইজে জব্দকৃত ব্ৰিজা বাহনসহ গৰু দুটা মঙলদৈ আৰক্ষীক গতাই দিয়ে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মহাধিবক্তাৰ নীতি বিৰুদ্ধ কাৰ্যক লৈ

নোৱাৰে সেই লৈ বিভিন্ন সময়ত প্ৰশ্ন উত্থাপন হৈ আহিছে আৰু শেহতীয়াকৈ বিচিচিআইৰ কোষাধ্যক্ষ পদত থকা মহাৰাষ্ট্ৰৰ বিধায়ক আশীষ শ্বেলাৰে মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ পিছতেই বিচিচিআইৰ কোষাধ্যক্ষৰ পদ ত্যাগ কৰে। এক ব্যক্তি এক পদ এই নীতি অব্যাহত থকাৰ মাজতে অসমৰ মহাধিবক্তাই দেৱজিৎ লন শইকীয়াই বিচিচিআইৰ ভাৰপ্ৰাপ্ত সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰাৰ লগতে আইচিচিআইৰো সঞ্চালকৰ দায়িত্ব গ্ৰহণ কৰিছে। অসমৰ বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়াই ইতিমধ্যে এই বিষয়টো উত্থাপন কৰি দেশৰ মুখ্য ন্যায়াধীশলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। এই পত্ৰৰ পিছত অসমৰ মহাধিবক্তা দেৱজিৎ লন শইকীয়াই আজি বিচিচিআই আৰু আইচিচিৰ পদবী সম্পূৰ্ণৰূপে অবৈতনিক আৰু লাভজনক পদত নপৰে বুলি ঘোষণা কৰিছে। কিন্তু আইচিচি এটা কোম্পানী আৰু এই কোম্পানীয়ে ব্যৱসায় কৰে বুলি বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়াই পুনৰ অভিযোগ উত্থাপন কৰিছে। শইকীয়াই কয় যে বাৰ কাউন্সিল অব ইণ্ডিয়াৰ ৪৮নং বিধি অনুযায়ী মহাধিবক্তাই অন্য কোনো লাভজনক পদবী গ্ৰহণ কৰিব নোৱাৰিব। বিচিচিআইৰ বিধি অনুযায়ী মন্ত্ৰী অথবা অন্যান্য চৰকাৰী সুবিধা লাভ কৰা ব্যক্তিক বিচিচিআইত থাকিলে পদত্যাগ কৰিব লাগে। যি বিধি অনুযায়ী মহাৰাষ্ট্ৰৰ বিধায়কজনে মন্ত্ৰী হোৱাৰ পিছত বিচিচিআইৰ কোষাধ্যক্ষ পদ ত্যাগ কৰিছে। ভাৰতীয় সংবিধানৰ ১৬৫ আৰু ১৭৭ অনুচ্ছেদত এই কথা স্পষ্ট হৈ আছে যে ৰাজ্যৰ মহাধিবক্তাসকলৰ পদবী মন্ত্ৰী পৰ্যায়ত হ'ব। এই কথা উল্লেখ কৰি বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়াই কয় যে দেৱজিৎ লন শইকীয়া এজন আইন জনা ব্যক্তি। তেখেতে বিষয়টো স্পষ্ট কৰিলে ভাল। ইফালে, তথ্য অনুযায়ী ২০২০ চনৰ ৩ নৱেম্বৰত ৰাজ্য চৰকাৰে দেৱজিৎ লন শইকীয়াৰ পদমৰ্যাদা কেবিনেট মন্ত্ৰীৰ পৰ্যায়ৰ হ'ব বুলি এক অধিসূচনা জাৰি কৰিছিল। কেবিনেট মন্ত্ৰীৰ সমপৰ্যায়ৰ এজন লোকে চৰকাৰী দা-দৰমহা আৰু অন্যান্য সা-সুবিধা লাভ কৰে। তেনে পৰিস্থিতিত দেৱজিৎ লন শইকীয়াই বিচিচিআই বা আইচিচিৰ গুৰুত্বপূৰ্ণ পদবী গ্ৰহণ কৰিব পাৰিব নে নোৱাৰে সেই লৈ প্ৰশ্ন উত্থাপন হৈছে। ইফালে, বিগত সময়ত আইপিএল খেল অনুষ্ঠিত হৈ থকা সময়ত মহাধিবক্তা দেৱজিৎ লন শইকীয়াই দীঘলীয়া সময় ধৰি আদালতত উপস্থিত নথকা বিষয়টো সেই সময়ত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশে উত্থাপন কৰি চৰকাৰী অধিবক্তাক জবাবদিহি কৰিছিল। মুখ্য ন্যায়াধীশগৰাকীয়ে দীঘলীয়া সময় মহাধিবক্তা উপস্থিত নাথাকিলে গোচৰৰ ৰায়দানৰ ক্ষেত্ৰত বিসংগতি হয় বুলি কৈছিল আৰু এই কথা মানি ল'ব পৰা নহয় বুলি স্পষ্টভাৱে উল্লেখ কৰিছিল। ইয়াৰ পিছতো মহাধিবক্তাৰ দৰে গুৰুত্বপূৰ্ণ পদবীত থাকি বিচিচিআই আৰু আইচিচিৰ গুৰুত্বপূৰ্ণ পদবী গ্ৰহণ কৰাতো চৰ্চিত হৈ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জয়ন্ত মাধৱ বৰালৈ 'বাক্য সাহিত্য বঁটা'

কিতাপৰ যোগেদি মানৱীয়তা জাগ্ৰত কৰিবলৈ "বাক্য" প্ৰকাশনে কাম কৰিছে। এয়া ভাল লগা দিশ। জ্ঞান অন্বেষণৰ আটাইতকৈ প্ৰভাৱশালী মাধ্যম হৈছে কিতাপ। এনেকুৱা এটা মাধ্যমক আহিলা হিচাপে লৈ "বাক্য" আগবাঢ়িব বিচৰাতো অতি আদৰণীয় আৰু শুভ লক্ষণ।"- শিৱসাগৰত আজি শিৱসাগৰৰ অগ্ৰণী গ্ৰন্থ প্ৰকাশন প্ৰতিষ্ঠান "বাক্য"ই প্ৰদান কৰা "বাক্য সাহিত্য বঁটা-২০২৪" গ্ৰহণ কৰি সাহিত্য অকাডেমী বঁটাপ্ৰাপক বিশিষ্ট সাহিত্যিক ড০ জয়ন্ত মাধৱ বৰাই এইদৰে কয়। তেওঁ লগতে গ্ৰন্থ প্ৰকাশ, আলোচনী প্ৰকাশৰ ক্ষেত্ৰত শিৱসাগৰ খনৰ এক ঐতিহ্য আছে বুলি উল্লেখ কৰে। ড° জয়ন্ত মাধৱ বৰাই আৰু কয় যে "বঁটা এক সন্মান। পৰিচিতজনৰ সন্মুখত সন্মানিত হ'লে এজন লেখক ধন্য হয়, সেয়া গৌৰৱ কৰিব পৰা কথা। বঁটা কিমান আন্তৰিকতাৰে দিছে, সেয়া অতি গুৰুত্বপূৰ্ণ। এয়া অমূল্য বঁটা। সমাজখন ভাল কৰিবলৈ ওলাই অহা নতুনচামক প্ৰেৰণা দিয়া উচিত। তেওঁলোকক নিৰুৎসাহ কৰিব নালাগে।" ইয়াৰ উপৰিও ভাষণ প্ৰসংগত মানুহৰ মৰম আৰু উৎসাহে এগৰাকী সাধাৰণ ব্যক্তিৰ পৰা বিখ্যাত সাহিত্যিক হোৱা কলকাতাৰ বিভূতি ভূষণ বন্দোপাধ্যায়ৰ উদৰহৰণ দাঙি ধৰে। নতুন প্ৰজন্মই মানুহক ভাল পোৱাৰ সপোন জাগ্ৰত কৰিবলৈ চেষ্টা কৰিছে বুলি মন্তব্য কৰে। আনহাতে বঁটাটি প্ৰদান কৰি লোক-সংস্কৃতিৰ গবেষক ড০ অনিল শইকীয়াই কয় যে, হৃদয়ৰ তাগিদা, সম্পাদকৰ তাগিদা আৰু প্ৰকাশকৰ তাগিদাই সাহিত্যৰ সৃষ্টি কৰে। ড০ জয়ন্ত মাধৱ বৰাই হৃদয়ৰ তাগিদাতহে সাহিত্য সৃষ্টি কৰে। হীৰাইহে হীৰাক চিনি পায়। একেটা অনুষ্ঠানতে "গল্পবোৰ ভালপোৱা" শীৰ্ষক ড০ ৰীতামণি বৰাৰ গল্প সংকলনটি উন্মোচন কৰি গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট নিবন্ধকাৰ ড০ সব্যসাচী মহন্তই কয়, "অসমীয়া সাহিত্যৰ প্ৰতিখন ক্ষেত্ৰৰ অবাধ বিচৰণ কৰা ড০ ৰীতামণি বৰাই নিৰন্তৰ সাহিত্য চৰ্চা কৰি আহিছে। তেওঁৰ গল্পৰ স্বকীয়তা-সৰলতাই গল্পক অধিক উপভোগ্য। সুখপাঠ্য, সাৱলীল ভাষাৰে লিখা গ্ৰন্থৰ মাজেৰে প্ৰেম-ভালপোৱা কি অনুধাৱন কৰিব পাৰিব।" বাক্যৰ সঞ্চালক সত্যজিৎ নাথৰ কাব্যগ্ৰন্থ "পানীৰ পোহৰত" উন্মোচন কৰি বুৰঞ্জীবিদ নবীন বুঢ়াগোহাঁইয়ে সমাজ ব্যৱস্থাক কাব্যৰ শৰীৰেৰে তুলি ধৰিছে বুলি কয়। তেওঁ ৰাজ্যিক প্ৰেক্ষাপটত চিনাকি কবিসকলৰ ভিতৰত অন্যতম। ইফালে শিৱসাগৰ জিলা সাহিত্য সভাৰ সম্পাদক সন্তোষ দত্তই আঁত ধৰা অনুষ্ঠানত বিশিষ্ট কবি গংগামোহন মিলিয়ে কাব্যালোচনী "ভাষা" আৰু বিশিষ্ট সাহিত্যিক প্ৰেম গগৈয়ে কবি মিণ্টু সাগৰ দাসৰ "অ-সম্পাদকীয় পৃষ্ঠা" উন্মোচন কৰে। অনুষ্ঠানত আছুৰ নৱ-নিৰ্বাচিত সহকাৰী সাধাৰণ সম্পাদক সমীৰণ ফুকনক শিৱসাগৰ প্ৰেছ ক্লাবৰ হৈ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক হিমাংশু নেওগে অভিনন্দন জনায়। নামতি পিয়লি ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ধ্ৰুবজ্যোতি নাথ, সাহিত্যিক ড০ প্ৰশান্ত কুমাৰ চুতীয়া, অসম উন্নতি সভাৰ সম্পাদক শৰৎ হাজৰিকাৰ লগতে পবিত্ৰ প্ৰাণ ভট্টাচাৰ্য, বিজয় ৰবি দাস, অশ্ৰুমণি দত্ত ঘোষ, প্ৰমোদ আৰন্ধৰা, ভৈৰৱ মুণ্ডা, মনোজ কুমাৰ গগৈ, ড০ লিপি ফুকন, নৱজ্যোতি শইকীয়া, বাক্যৰ পৰিচালক অলি নাথকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। আজিৰ এই অনুষ্ঠানক লৈ শিৱসাগৰৰ সাহিত্যপ্ৰেমীয়ে সন্তুষ্টি ব্যক্ত কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ইনকাম চাৰ্টিফিকেট নালাগে

বেছি হিতাধিকাৰী সৃষ্টি কৰা আঁচনি অৰুণোদয়ক লৈ বিশেষ স্পষ্টীকৰণ দিছে ৰাজ্য চৰকাৰে। পোনে পোনে বেংক একাউণ্ট যোগে বিত্তীয় সাহায্য প্ৰদান কৰা অৰুণোদয় আঁচনিত ইনকাম চাৰ্টিফিকেটৰ প্ৰয়োজন নাথাকিব বুলি কয় চৰকাৰে। আজি ৰাজ্য চৰকাৰে প্ৰকাশ কৰি বিজ্ঞপ্তি অনুসৰি প্ৰকাশ কৰি কয় যে অৰুণোদয় ৩.০ আঁচনিৰ বাবে উপাৰ্জনৰ প্ৰমাণ-পত্ৰৰ প্ৰয়োজনীতা নাথাকিব। অৰুণোদয় ৩.০ আঁচনিৰ হিতাধিকাৰী হ'বৰ বাবে ৰেচন কাৰ্ড থকা পৰিয়ালে গাঁওপ্ৰধান, মৌজাদাৰ অথবা আন কোনো কৰ্তৃপক্ষৰ পৰা উপাৰ্জনৰ প্ৰমাণ-পত্ৰ সংগ্ৰহ কৰা আবেদনৰ সৈতে জমা দিয়াৰ প্ৰয়োজন নাই। ৰাজ্য চৰকাৰৰ বিত্ত বিভাগে প্ৰকাশ কৰা বিজ্ঞপ্তিত কয় যে অৰুণোদয় ৩.০ আঁচনিৰ বাবে আবেদনকাৰীসকলক ইনকাম চাৰ্টিফিকেটৰ প্ৰয়োজন নাই। ইনকাম চাৰ্টিফিকেটক লৈ যিকোনো বিভ্ৰান্তিকৰ তথ্য অথবা কোনো ব্যক্তি বা গোটৰ কু-অভিপ্ৰায়ৰ ভুক্তভোগী নহ'বলৈ সতৰ্ক কৰা হৈছে। আয়ৰ প্ৰমাণ-পত্ৰ প্ৰদানৰ ক্ষেত্ৰত জনসাধাৰণক বিপথে পৰিচালিত কৰা লোক বা গোটৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে অভিযোগৰ তদন্ত কৰি দোষীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈও জিলা আয়ুক্তসকলক নিৰ্দেশ দিয়া হৈছে। চৰকাৰে কয় যে আৰ্থিকভাৱে দুৰ্বল পৰিয়ালক মাহিলি ১,২৫০ টকাকৈ সাহায্য প্ৰদান কৰাই হৈছে অৰুণোদয় ৩.০ আঁচনিৰ মূল লক্ষ্য। আঁচনি ৰূপায়ণত স্বচ্ছতা, নিৰপেক্ষতা বৰ্তাই ৰখাৰ বাবে চৰকাৰ বদ্ধপৰিকৰ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিৰ্বাচনী প্ৰক্ৰিয়াৰ বিধি সলাবলৈ সাজু

গুৰুত্বপূৰ্ণ তথ্য যেনে ইলেক্ট্ৰনিক নথি-পত্ৰ, চিচিটিভি কেমেৰাৰ ফুটেজ, ৱেবকাষ্টিং ফুটেজ, প্ৰাৰ্থীৰ ভিডিঅ' ফুটেজ। শেহতীয়াকৈ নিৰ্বাচনী প্ৰক্ৰিয়া আইন সংশোধন কৰি নাগৰিকৰ পৰা এই অধিকাৰ কাঢ়ি ল'বলৈ যো-জা চলাইছে মোদী চৰকাৰে। কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰালয়ে এই আইন সংশোধনী সন্দৰ্ভত জাৰি কৰিছে অধিসূচনা। উল্লেখ্য যে, এতিয়ালৈকে ১৯৬১ চনৰ নিৰ্বাচন আইনৰ ৯৩ নং ধাৰাত জনসাধাৰণে ভোটদান প্ৰক্ৰিয়াৰ সঠিকতা নিশ্চিত কৰিবলৈ ইলেক্ট্ৰনিক নথি-পত্ৰ আৰু ফুটেজ বিচাৰিব পাৰিছিল। এতিয়া সেই অধিকাৰ কাঢ়ি লোৱা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্তৰ পিছতে বিৰোধীয়ে অভিযোগ কৰে যে চৰকাৰৰ এই সংশোধনীৰ একমাত্ৰ উদ্দেশ্য হৈছে নিৰ্বাচনী প্ৰক্ৰিয়াৰ ওপৰত জনসাধাৰণৰ নিৰীক্ষণ হ্ৰাস কৰা। ইফালে নিৰ্বাচন আয়োগৰ যুক্তি যে ফুটেজৰ অপব্যৱহাৰ আৰু ভোটাৰৰ গোপনীয়তাৰ লগত আপোচ হ'ব পাৰে। উল্লেখ্য যে, শেহতীয়াকৈ ৰাষ্ট্ৰীয় নিৰ্বাচন আয়োগে এই আইনৰ সংশোধনীৰ প্ৰস্তাৱ আগবঢ়াইছিল, আৰু সেই প্ৰস্তাৱৰ ভিত্তিতে সংশোধনী কৰে কেন্দ্ৰীয় চৰকাৰে। এই সংশোধনীৰ ফলত চিচিটিভি কেমেৰাৰ ফুটেজ, ৱেবকাষ্টিং ফুটেজ, বা নিৰ্বাচনী প্ৰক্ৰিয়াৰ অন্যান্য ইলেক্ট্ৰনিক নথি-পত্ৰ আৰু জনসাধাৰণৰ বাবে উপলব্ধ নহ'ব। অৱশ্যে মনোনয়ন পত্ৰ, নিৰ্বাচনী এজেণ্ট নিযুক্তি, ভোটদানৰ ফলাফল আৰু অন্যান্য প্ৰয়োজনীয় নথি-পত্ৰ পূৰ্বৰ দৰেই জনসাধাৰণৰ বাবে উপলব্ধ থাকিব। ইয়াৰ পূৰ্বে নিৰ্বাচনী পদ্ধতি আইন, ১৯৬১ৰ ধাৰা ৯৩ৰ অধীনত নিৰ্বাচন প্ৰক্ৰিয়াৰ সৈতে জড়িত সকলো নথি-পত্ৰ আৰু বৈদ্যুতিক নথি-পত্ৰ জনসাধাৰণৰ বাবে মুকলি আছিল। ইয়াৰ ফলত নাগৰিকে ভোটদান প্ৰক্ৰিয়া শান্তিপূৰ্ণ আৰু মুক্ত হয় নে নহয় সেই সম্পৰ্কে সন্দেহ থাকিলে নিৰ্বাচন আয়োগৰ পৰা তথ্য বিচাৰিব পাৰিছিল। নিৰ্বাচন আয়োগে এই সংশোধনীৰ কাৰণ হিচাপে দুটা যুক্তি আগবঢ়ায়- বুথৰ ভিডিঅ' ফুটেজৰ অপব্যৱহাৰ হ'ব পাৰে। দ্বিতীয়তে ভিডিঅ' ফুটেজে ভোটাৰৰ গোপনীয়তা ভংগ কৰিব পাৰে। তদুপৰি কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে এই ফুটেজ ব্যৱহাৰ কৰি ভুৱা ভিডিঅ' তৈয়াৰ কৰি ছ'চিয়েল মিডিয়াত প্ৰচাৰ কৰা সম্ভৱ বুলিও যুক্তি দিয়ে আয়োগে। অন্যহাতে এই সিদ্ধান্তৰ পিছতে বিৰোধী ৰাজনৈতিক দলসমূহে কেন্দ্ৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছে। তেওঁলোকৰ অভিযোগ যে কেন্দ্ৰই এই সংশোধনীৰ জৰিয়তে ন্যায্য নিৰ্বাচনী প্ৰক্ৰিয়াত বাধাৰ সৃষ্টি কৰাৰ লগতে গণতন্ত্ৰৰ মৌলিক মনোভাৱ আৰু সুৰক্ষাক ভেঙুচালি কৰিছে। প্ৰয়োজন হ'লে চৰকাৰে শেহতীয়াকৈ কৰিবলৈ ওলোৱা এই সংশোধনীক প্ৰত্যাহ্বান জনাই উচ্চতম ন্যায়ালয়ত গোচৰ ৰুজু কৰা হ'ব বুলিও এতিয়া হুংকাৰ দিছে বিৰোধীয়ে।

# নগাঁও জিলা আহোম সভাৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**ই-সংবাদ, বেবেজীয়া, ২২ ডিচেম্বৰঃ** সদৌ অসম আহোম সভাৰ নগাঁও জিলা সমিতিৰ এখনি কাৰ্যনিৰ্বাহক সভা দেওবাৰে অনুষ্ঠিত হয়। জিলাখনৰ বেবেজীয়াৰ সমীপৰ বৰ ভালুকমাৰী নৱজ্যোতি প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হোৱা সভাখনত পৌৰহিত্য কৰে আহোম সভাৰ নগাঁও জিলা সমিতিৰ সভাপতি ডঃ দীনেশ হাজৰিকাই। আহোম সভাৰ নগাঁও জিলা সমিতিৰ সম্পাদক মহেন্দ্ৰজিৎ বৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনি টাই ভাষাৰ সমুহীয়া প্ৰাৰ্থনাৰে শুভাৰম্ভ কৰা হয়। সভাৰ আৰম্ভণিতে বিগত সভাৰ কাৰ্যবিৱৰণি আৰু যোৱা সময়ছোৱাৰ জিলা সমিতিৰ অগ্ৰগতিৰ খতিয়ান দাঙি ধৰে জিলা সমিতিৰ সম্পাদক মহেন্দ্ৰজিৎ বৰুৱাই। সভাত নৱগঠিত জিলা মহিলা কোষৰ সম্পাদিকা ৰূপালী বৰকথীয়াই কোষৰ অগ্ৰগতিৰ সম্পৰ্কে অৱগত কৰাৰ পিছতে ইতিমধ্যে গঠিত জিলা সমিতিৰ অন্তৰ্গত আঞ্চলিক আহোম সভাসমূহৰ সাংগঠনিক কাম-কাজৰ চমু আভাস সংশ্লিষ্ট সভাই দাঙি ধৰে। কুসুম বৰুৱাই দেশভক্তিমূলক গীত পৰিৱেশনেৰে সৌষ্ঠব্য বৃদ্ধি কৰা সভাখনিত আগন্তুক মে-ডাম-মে-ফি অনুষ্ঠানটি কামপুৰ আঞ্চলিক আহোম সভাৰ আতিথ্যত কামপুৰত অনুষ্ঠিত কৰাৰ লগতে ইয়াৰ লগত সংগতি ৰাখি এখনি মুখপত্ৰ প্ৰকাশ কৰি উলিওৱাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। গাম্ভীৰ্যপূৰ্ণ সভাখনিত অংশগ্ৰহণ কৰি ঠগীত চন্দ্ৰ বৰুৱা, গুনিন্দ্ৰ নাথ ফুকন, প্লাৱন বৰুৱা, বলোৰাম বৰা, নিৰুপমা বুঢ়াগোহাঁই, গুৰুদেৱ বৰুৱা, প্ৰবীন বৰা, দিব্যজ্যোতি বৰা, পৰেশ দুৱৰা, পলজ্যোতি গগৈ, সূৰ্য্য গগৈ, মঞ্জিল গোঁহাই, মানস বৰা, নীৰৱ ফুকন, জনাৰ্দন গগৈ, জয়ন্ত গগৈ, সোমেশ্বৰ গগৈ, ডিম্বেশ্বৰ লাহন, হৰিকান্ত সেনাপতি, দীপ্তি তামুলী, জ্যোতি বৰা, অপূৰ্ব গগৈ আদিয়ে আহোম সভাৰ সাংগঠনিক দিশৰ বিষয়ত বক্তব্য প্ৰদান কৰে। সভাত অনাগত দিনবোৰৰ কাৰ্যপন্থাৰ লগতে সমাগত সদৌ অসম আহোম সভাৰ বাৰ্ষিক অধিবেশনৰ সন্দৰ্ভতো আলোচনা কৰা হয়।

# কানৈ মহাবিদ্যালয়ক ধূমপানমুক্ত মহাবিদ্যালয় ঘোষণা

**ই-সংবাদ, ডিব্ৰুগড়, ২২ ডিচেম্বৰঃ** ডিব্ৰুগড়ৰ ঐতিহাসিক ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ক ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ৰ তৰফৰ পৰা ধূমপানমুক্ত মহাবিদ্যালয় হিচাপে ঘোষণা কৰিছে। ইউ ডাইচ নম্বৰ ১৮১৫০৪০৮৫০৯ মৰ্মে ২০ ডিচেম্বৰ, ২০২৪ অনুসৰি সংশ্লিষ্ট মন্ত্ৰণালয়ে এই দিনৰ পৰা কাৰ্যকৰী হোৱাকৈ মহাবিদ্যালয়খনক ধূমপানমুক্ত মহাবিদ্যালয় হিচাপে ঘোষণা কৰে। ধূমপানমুক্ত মহাবিদ্যালয় হিচাপে পালন কৰিব লগা নিৰ্দেশনাসমূহ সম্পূৰ্ণ ৰূপে পালন কৰাত মহাবিদ্যালয়খনক এই প্ৰমাণ পত্ৰ প্ৰদান কৰে। চাৰিকুৰি বছৰীয়া মহাবিদ্যালয়খনৰ ইতিহাসত এয়া এক মাইলৰ খুঁটি বুলি বিবেচিত হৈছে। উল্লেখ্য যে ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ৰ পৰা মহাবিদ্যালয়খনলৈ অনলাইনযোগে প্ৰেৰণ কৰা প্ৰমাণ পত্ৰখন এক অনুষ্ঠানত ইণ্ডিয়ান ৰেড ক্ৰছ ছ'চাইটি, ডিব্ৰুগড় শাখাৰ সাধাৰণ সম্পাদক ড০ পংকজ কুমাৰ শ্ৰুতিকৰ, অসম বিজ্ঞান সমিতি, ডিব্ৰুগড় শাখাৰ সভানেত্ৰী ড০ ভাৰতী দত্ত আৰু যুটীয়া সম্পাদক অজিত কুমাৰ শৰ্মাই অধ্যক্ষ ড০ শশীকান্ত শইকীয়াক আনুষ্ঠানিকভাৱে অৰ্পণ কৰে। অনুষ্ঠানত আটছাৰ ডিব্ৰুগড় জিলাৰ সম্পাদক লক্ষীন্দৰ কুৰ্মিকে ধৰি মহাবিদ্যালয়খনৰ অধ্যাপিকা ড০ মৰমী তালুকদাৰ, ছাত্ৰ-ছাত্ৰীৰে সম্পৰ্কৰক্ষী সমন্বয়ক ড° জ্যোতি প্ৰসাদ ফুকন, অধ্যাপিকা উপাসনা দত্তকে ধৰি ভালেকেইজন অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। মন কৰিবলগীয়া যে ২০২৩ চনত নাকৰ মূল্যায়ণত এ গ্ৰেড লাভ কৰা মহাবিদ্যালয়খনে ইতিমধ্যে 'গ্ৰীণ অডিটেড কলেজ', 'স্বচ্ছতাৰ কলেজ', 'শ্ৰেষ্ঠ শৃংখলাবদ্ধ কলেজ' নামেৰে গৌৰৱ অৰ্জন কৰিছে। মহাবিদ্যালয়খনে ২০২৪ চনত ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ তৰফৰ পৰা 'চেণ্টাৰ অব এক্সিলেঞ্চ' সন্মানেৰে সন্মানীত হৈছে। মহাবিদ্যালয়খনে কেন্দ্ৰীয় চৰকাৰৰ খোৱাপানী আৰু স্বচ্ছতা মন্ত্ৰণালয়ৰ তৰফৰ পৰা ২০১৭ চনত দেশৰ ভিতৰত স্বচ্ছতাৰ 'দ্বিতীয় ৰাষ্ট্ৰীয় স্বচ্ছ ভাৰত পুৰস্কাৰ', ২০২০, ২০২২ আৰু ২০২৩ বৰ্ষত অনুষ্ঠিত হোৱা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱ তিনিবাৰকৈ 'শ্ৰেষ্ঠ শৃংখলাবদ্ধ মহাবিদ্যালয়'ৰ সন্মান, ২০২৪ বৰ্ষত অনুষ্ঠিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত 'শ্ৰেষ্ঠ পৰিস্কাৰ মহাবিদ্যালয়'ৰ সন্মান, ২০২৩ বৰ্ষত ভাৰতীয় ডাক বিভাগে মহাবিদ্যালয়খনৰ নামত লেফাফা প্ৰকাশ, ২০১৮ চনত ডিব্ৰুগড় জিলা প্ৰশাসনৰ তৰফৰ পৰা 'ডিব্ৰুগড় স্বচ্ছতা পুৰস্কাৰ', ২০২২ চনত ডিব্ৰুগড় নাগৰিক মঞ্চৰ তৰফৰ পৰা 'অসমৰ পৰিস্কাৰ মহাবিদ্যালয়'ৰ সন্মান, কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ নেহৰু যুৱ কেন্দ্ৰ ডিব্ৰুগড় শাখাৰ তৰফৰ পৰা মহাবিদ্যালয়খনক স্বচ্ছতাৰ সন্মান, গুণগত উচ্চমানৰ শিক্ষা প্ৰদান কৰাৰ বাবে ISO- 9001: 2015 প্ৰমাণ পত্ৰ লাভ কৰাৰ উপৰি ২০২৪ চনত ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰণালয়, উদ্ভাৱন কোষৰ তৰফৰ পৰা মহাবিদ্যালয়খনক Establishment of Institutions Innovation Councilৰ স্বীকৃতি প্ৰদান কৰা হয়।

# ডুমডুমাৰ কাকজান সংৰক্ষিত বনাঞ্চলত চাঞ্চল্যকৰ ঘটনা, যুৱকৰ গুলীবিদ্ধ মৃতদেহ উদ্ধাৰ

**ই-সংবাদ, ডুমডুমা, ২২ ডিচেম্বৰঃ** তিনিচুকীয়া জিলাৰ ফিল'বাৰী আৰক্ষী থানাৰ অন্তৰ্গত তথা ডুমডুমাৰ কাকজান সংৰক্ষিত বনাঞ্চলত আজি এজন ব্যক্তিৰ গুলীবিদ্ধ মৃতদেহ উদ্ধাৰ হয়। উদ্ধাৰ হোৱা মৃতদেহটো ২ নং কাকজান গাঁৱৰ সুব্ৰত তাঁতী (৩৫) ৰ বুলি চিনাক্ত কৰা হৈছে। ঘটনাৰ সন্দৰ্ভত মৃত সুব্ৰত তাঁতীৰ পৰিয়ালৰ লোকৰ ভাষ্য অনুসৰি, আজিপুৱা ৭ মান বজাত জনৈক ঢাপোল মৰাণ নামৰ লোকজনৰ সৈতে ঘৰৰ পৰা ওলাই গৈছিল সুব্ৰতই। কিন্তু দুঘণ্টামানৰ পাছতেই পত্নীক ফোন কৰি জনোৱা হয় যে সুব্ৰতৰ হাতত গুলী লাগিছে। পৰিয়ালৰ মানুহৰ লগতে ওচৰ-চুবুৰীয়াই বনাঞ্চলত প্ৰৱেশ কৰিয়েই সুব্ৰতৰ মৃতদেহটো বনাঞ্চলৰ কাষত পৰি থকা দেখা পায়। সুব্ৰতক গভীৰ বনাঞ্চলত হত্যা কৰি মৃতদেহটো বনাঞ্চলৰ দাঁতিলৈ চোঁচৰাই অনা বুলি স্থানীয় ৰাইজে অনুমান কৰিছে। মৃতদেহটোৰ হাত আৰু বুকুত গুলীৰ চিন প্ৰত্যক্ষ কৰা হৈছে। ঘটনাস্থলীৰ পৰা কিছু নিলগত সুব্ৰতৰ কাপোৰ-কানিয়ো উদ্ধাৰ হৈছে। ৰহস্যজনক বিষয় যে, সুব্ৰতৰ পত্নীক ঘটনাৰ বিষয়ে ফোন কৰি জনোৱাৰ পিছৰে পৰা জনৈক ঢাপোল মৰাণৰ কোনো শুংসূত্ৰ নোহোৱাটোৱে এক বিশেষ তাৎপৰ্য বহন কৰিছে। ইতিমধ্যে ঘটনাস্থলীত মাৰ্ঘেৰিটা সম-জিলাৰ আৰক্ষী বিষয়া দীনেশ প্ৰসাদ সিং ৰাথোৰ, ফিল'বাৰী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অজিত সোণোৱাল আৰু পেঙেৰী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নবীন চেতিয়া উপস্থিত হৈ পৰিস্থিতি বুজ লোৱাৰ লগতে ঘটনাৰ সন্দৰ্ভত তদন্ত আৰম্ভ কৰে। আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে তিনিচুকীয়ালৈ প্ৰেৰণ কৰে। ঘটনাৰ কাৰণ জানিব পৰা হোৱা নাই যদিওঁ ঘটনাৰ মূল অভিযুক্তক আৰক্ষীয়ে আটক কৰাৰ পিছতহে প্ৰকৃত কাৰণ স্পষ্ট হব। ঘটনাক লৈ আজি সমগ্ৰ কাকজানৰ লগতে ডুমডুমা অঞ্চলতে তীব্ৰ চাঞ্চল্যই বিৰাজ কৰিছে। ইপিনে, পাঁচ সন্তানৰ পিতৃ সুব্ৰত তাঁতীৰ হত্যাকাৰীক কৰায়ত্ত কৰি উচিত শাস্তিৰ দাবী তুলিছে দুৰ্ভগীয়া পৰিয়ালে। উল্লেখ্য যে, এটি তিনি মহীয়া সন্তানৰো পিতৃ আছিল সুব্ৰত তাঁতী। ঘটনাটোৱে অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

# মৰিগাঁৱত গণশিল্পী সূৰ্য দাসৰ মৃত্যুত ৰাজহুৱা শোকসভা

**ই-সংবাদ, মৰিগাঁও, ২২ ডিচেম্বৰঃ** সদ্যপ্ৰয়াত গণশিল্পী সূৰ্য দাসক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ উদ্দেশ্যে মৰিগাঁৱৰ নিপুণ ডেকা স্মৃতি সদনত শিল্পী অশোক ডেকা আৰু সাহিত্যিক মিলেশ্বৰ পাতৰৰ উদ্যোগত দেওবাৰে ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে কবি স্মৃতিৰেখা গোহাঁয়ে শিল্পী সূৰ্যদাসৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আনহাতে মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ শইকীয়াই সভাখনত সভাপতিত্ব কৰে। বিশিষ্ট নিবন্ধকাৰ মিলেশ্বৰ পাতৰে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। সভাত অংশগ্ৰহণ কৰি নগাঁও আঞ্চলিকৰ সম্পাদক প্ৰতাপ হাজৰিকাই শিল্পীগৰাকীৰ সান্নিধ্য সুঁৱৰি কয় যে গণশিল্পী সূৰ্য দাসৰ কণ্ঠত শোষিত-বঞ্চিত জনগণৰ আৰ্তনাদ প্ৰতিফলিত হৈছিল। তেওঁৰ গীতত অসমৰ মাটিৰ গোন্ধ, জাতীয় চেতনা আৰু জনকল্লোল প্ৰতিভাত হৈছিল। তদুপৰি জ্যেষ্ঠ সাংবাদিকগৰাকীয়ে মৃত্যুৰ পাছত বিননি কৰাৰ পৰিৱৰ্তে জীৱন কালত কৰা কামৰ যথোচিত স্বীকৃতি দিব লাগে বুলি উল্লেখ কৰি মৰিগাঁৱৰ ৰাইজে শিল্পী সূৰ্য দাসক উচিত সন্মান দিয়া বুলি কয়। সভাত মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হৰেন্দ্ৰ বৰাই কবিতা পাঠ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সভাত অসম সাহিত্য সভাৰ প্ৰচাৰ উপ-সমিতিৰ কাৰ্যকৰী সভাপতি অজিত শৰ্মা, মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি বিৰিঞ্চি শৰ্মা, মৰিগাঁও জিলা কবি সন্মিলনৰ সভাপতি অনিৰুদ্ধ ডেকা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ মৰিগাঁও জিলা সমিতিৰ সভাপতি মিৰ্জা আৰিফ আলম, মৰিগাঁও জিলাৰ জ্যেষ্ঠ নাগৰিক সন্থাৰ সম্পাদক ভুজেন ডেকা, সমাজকৰ্মী চিমল ডেকা, মৰিগাঁও জিলা কবি সন্মিলনৰ প্ৰাক্তন সভাপতি আবুল হাচেম আল আমানে ভাষণ দিয়ে। সভাত সাংস্কৃতিক কৰ্মী ভদ্ৰেশ্বৰ ডেকাই সূৰ্য দাসৰ গীত পৰিৱেশন কৰে। সভাৰ অন্যতম আয়োজক তথা মৰিগাঁও জিলা কবি সন্মিলনৰ প্ৰতিষ্ঠাপক সভাপতি অশোক ডেকাই শিল্পীগৰাকীৰ অৱদানক শ্ৰদ্ধাৰে সুঁৱৰি বক্তব্য আগবঢ়ায়। সভাত মৰিগাঁও জিলাৰ বিভিন্ন অনুষ্ঠানৰ বিষয়ববীয়াৰ লগতে গণশিল্পী সূৰ্য দাসৰ অনুৰাগীসকলে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে সভাই গণশিল্পীগৰাকীৰ ৰাজিক মৰ্যাদাৰে শেষ কৃত্য নকৰাত ক্ষোভ প্ৰকাশ কৰে। সভাই শিল্পীগৰাকীৰ প্ৰস্তাৱিত সাংস্কৃতিক প্ৰকল্প বৰঘৰ সম্পূৰ্ণ কৰিবলৈ চৰকাৰক দাবী জনোৱাৰ লগতে শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

# ডিব্ৰুগড়ত আক্ৰাছুৰ সভা, নতুনকৈ জিলা সমিতি গঠন

**ই সংবাদ, চাবুৱা-লাহোৱাল, ২২ ডিচেম্বৰঃ** ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে সুকীয়া কমতাপুৰ ৰাজ্য, জনজাতিকৰণৰ দাবীক লৈ তৎপৰ হৈছে সদৌ কোঁচ-ৰাজবংশী ছাত্ৰ সন্থা। শাসক পক্ষই বাৰে বাৰে নিৰ্বাচনৰ পূৰ্বে দিয়া প্ৰতিশ্ৰুতি পূৰণ নকৰাৰ ফলতে কোঁচ-ৰাজবংশী জনগোষ্ঠীৰ লোকসকলে সৰৱ ভূমিকা গ্ৰহণ কৰাৰ সংকল্প লৈছে। সদৌ কোঁচ-ৰাজবংশী ছাত্ৰ সন্থাই উজনিত বসবাস কৰা জনগোষ্ঠীটোৰ লোকসকলৰ অধিকাৰ আৰু সংগঠনটোৰ প্ৰতিষ্ঠাকালৰ দাবীক লৈ সমগ্ৰ অসমত সৰৱ হোৱাৰ উদ্দেশ্যে উজনিৰ জিলা সমিতি আৰু আঞ্চলিক সমিতিসমূহ নকৈ গঠন কৰি থকাৰ সময়তে আজি ডিব্ৰুগড়ত অনুষ্ঠিত হয় এখন সভা। উজনিৰ ডিব্ৰুগড় জিলাত অনুষ্ঠিত বিশেষ প্ৰতিনিধি সভাত দুই ৰাজ্যিক নেতা উপস্থিত থাকে। ডিব্ৰুগড়ত অনুষ্ঠিত সভাত আগন্তুক দিনত সুকীয়া কমতাপুৰ ৰাজ্য, জনজাতিকৰণৰ দাবীক লৈ প্ৰতিবাদ কৰাৰ লগতে জিলাখনত বসবাস কৰা লোকসকলক সংগঠনৰ সৈতে একাত্ম কৰাৰ সংকল্প লয় সদৌ কোঁচ-ৰাজবংশী ছাত্ৰ সন্থাই। ডিব্ৰুগড়ৰ আমোলাপট্টিস্থিত নাট্য মন্দিৰৰ প্ৰেক্ষাগৃহত সদৌ কোঁচ-ৰাজবংশী ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলা সমিতিৰ বিশেষ প্ৰতিনিধি সভাত কেন্দ্ৰীয় পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে আক্ৰাছুৰ সভাপতি ক্ষীতিশ বৰ্মন আৰু কপিল দেৱ সিং। দুয়োগৰাকী কেন্দ্ৰীয় পৰ্যবেক্ষকৰ উপস্থিতিত পুৰণি সমিতিখন ভংগ কৰি নতুনকৈ সমিতি গঠন কৰা হয়। সক্ৰিয়া নেতা ৰূপম কোঁচক সভাপতি আৰু মনজিৎ দত্তক সাধাৰণ সম্পাদক হিচাপে লৈ ৩১জনীয়া শক্তিশালী ডিব্ৰুগড় জিলা সমিতিখন গঠন কৰা হয়। সভাত তামুলপুৰ জিলা আক্ৰাছুৰ যুটীয়া সম্পাদক মানস দাস, হিমাংশু মেধিও উপস্থিত থাকে। আজিৰ এই সভাখনক লৈ এতিয়া আশাবীদ হৈ পৰিছে সংগঠনটো।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# দুধনৈত বন্য হস্তীৰ পথত মুক্ত বিচৰণক লৈ আতংকিত ৰাইজ



**ই-সংবাদ, ধূপধৰা, ২২ ডিচেম্বৰঃ** গোৱালপাৰা জিলাৰ দুধনৈত দেওবাৰে বন্যহস্তীয়ে স্তব্ধ কৰিলে এটা পথ। দুধনৈৰ লেলা আৰু মাজ-জাখিলী সংযোগী গড়কাপ্তানী পথত বন্যহস্তীৰ বৃহৎ জাক এটাই অৱস্থান কৰাত প্ৰায় ৩০ মিনিট ধৰি বন্ধ থাকে পথছোৱা। পথৰ ওপৰতে বন্যহস্তীৰ জাকটোৱে অৱস্থান কৰাৰ ফলত বহু সময় ধৰি পথটোৰে যাতায়তত ব্যাঘাত জন্মে। আনহাতে হাতীৰ জাকটোৰ অৱস্থানৰ সময়ত কেইবাগৰাকী পথচাৰীৰ কথমপিহে প্ৰাণ ৰক্ষা পৰে। মটৰ চাইকেলেৰে গৈ থকাৰ সময়ত সমুখত হাতী দেখি মটৰ চাইকেল এৰি পলায়ন কৰে বহু লোকে। ইফালে দিনৰ সময়তে পথৰ ওপৰত হাতীৰ জাকটোক অৱস্থান কৰাক লৈ আতংকিত হৈ পৰে পথচাৰীৰ লগতে শিলৰবড়ী, গুৱাবাৰী গাঁৱৰ ৰাইজ।

# হাজোত ১৫ সহস্ৰাধিকে পালে ৰেচন কাৰ্ড

**ই-সংবাদ, হাজো, ২২ ডিচেম্বৰঃ** হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত দমদমা মহাবিদ্যালয়ৰ প্ৰাংগণত দেওবাৰে কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত ৰেচন কাৰ্ড বিতৰণ কৰা হয়। লখিমপুৰৰ পৰা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে ৰেচন কাৰ্ড বিতৰণৰ শুভাৰম্ভ কৰাৰ পিছত ৩০ নং হাজো-শুৱালকুছি সমষ্টিৰ ১৫,৯৮৬ গৰাকী হিতাধিকাৰীক দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত অনুষ্ঠানত ৰেচন কাৰ্ড বিতৰণ কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য, হাজো সমষ্টিৰ বিধায়কা সুমন হৰিপ্ৰিয়া, কামৰূপ জিলা অতিৰিক্ত আয়ুক্ত কমল বৰুৱা, হাজোৰ ৰাজহ চক্ৰ বিষয়া আফ্ৰিন হুছেইন, দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ সূৰ্য কুমাৰ ভট্টাচাৰ্য। দিপাংকৰ মজুমদাৰে আঁত ধৰা অনুষ্ঠানত আদৰণি ভাষণ ৰাখে কামৰূপ জিলাৰ অতিৰিক্ত আয়ুক্ত কমল বৰুৱাই। ৰেচন কাৰ্ড বিতৰণ কাৰ্যসূচীত মুখ্য অতিথিৰ ভাষণত ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ কৰ্মদক্ষতাক ভূয়সী প্ৰশংসা কৰে।

## অসম-বংগ সীমান্তত বাল্য-বিবাহৰ বিৰুদ্ধে কঠোৰ আৰক্ষী

# জামিনত মুক্ত হৈ থকা লোকক গোলকগঞ্জত পুনৰাই আটক

**ই-সংবাদ, গোলকগঞ্জ, ২২ ডিচেম্বৰঃ** ৰাজ্যত শনিবাৰে নিশা পুনৰ বাল্য-বিবাহৰ বিৰুদ্ধে হঠাৎ তৎপৰ হৈ পৰে অসম আৰক্ষী। সমগ্ৰ ৰাজ্যৰ সমান্তৰালকৈ অসম পশ্চিমবংগ সীমান্ততো বাল্য-বিবাহৰ বিৰুদ্ধে আৰক্ষী যুদ্ধংদেহী হৈ পৰে। সীমান্তত একেনিশাই ২৩ জনকৈ লোকক আটক কৰে আৰক্ষীয়ে। ইয়াৰে আগমনি থানাৰ আৰক্ষীয়ে মাজনিশা অভিযান চলাই আটক কৰে ক্ৰমে খেৰবাৰী দ্বিতীয় খণ্ড গাঁৱৰ হাকিম আলীৰ পুত্ৰ ইয়াচিন আলী, ভামডাঙাৰ ৰহমান আলীৰ পুত্ৰ মিনাজুল আলী, তল্লী প্ৰথম খণ্ড গাঁৱৰ আৰিফুল ইছলাম আৰু তল্লী দ্বিতীয় খণ্ড গাঁৱৰ কৰিমুল্লা সেখৰ পুত্ৰ ৰাজু শ্বেখক। ছাগলীয়া আৰক্ষী চকীৰ অন্তৰ্গত পোকালাগী তৃতীয় খণ্ড গাঁৱৰ মইনুল হকৰ পুত্ৰ ইব্ৰাহিম আলী, নুৰ মহম্মদ মিঞাৰ পুত্ৰ আব্দুল জলিল মিঞা, পোকালাগী দ্বিতীয় খণ্ড গাঁৱৰ আব্দুল খালেক শ্বেখৰ পুত্ৰ ৰাহুল আলী, ছেকেন্দাৰ আলী, কৈমাৰী চতুৰ্থ খণ্ড গাঁৱৰ খলিল সেখৰ পুত্ৰ আনোৱাৰ শ্বেখ আৰু এলেমুদ্দিন শ্বেখৰ পুত্ৰ খলিল শ্বেখক আৰক্ষীয়ে নিশাতে আটক কৰি গোলকগঞ্জ থানাত ৰাখে। ইপিনে হালাকুৰা তালাচী চকীৰ আৰক্ষীয়ে আটক কৰে দীঘলটাৰী গাঁৱৰ তছুৰুদ্দিন মুন্সিৰ দুই পুত্ৰ আমিনুৰ ৰহমান আখতাৰ আলী আৰু পোকালাগী পঞ্চম খণ্ড গাঁৱৰ আব্দুল মলিকৰ গোলজাৰ হুছেইনক। আনহাতে গোলকগঞ্জ আৰক্ষীয়ে আটক কৰে ১০ জন লোকক। আটকাধীন নালিয়া তৃতীয় খণ্ড গাঁৱৰ আতিল হুছেইন, কমলাঝাৰ গাঁৱৰ কছিমুদ্দিন শ্বেখৰ পুত্ৰ আজিজুৰ ৰহমান, মনবৰ আলীৰ পুত্ৰ মইনুল হক, মমিৰুদ্দিন সেখৰ পুত্ৰ ছফিৰুদ্দিন শ্বেখ, বেৰভাংগী প্ৰথম খণ্ড গাঁৱৰ ধৰ্মাল শ্বেখৰ পুত্ৰ নুৰ ইছলাম, কেদাৰ তৃতীয় খণ্ড গাঁৱৰ কৰিমুল্লাহ শ্বেখৰ পুত্ৰ মোজাম্মিল হক, মনিউল্লাহ সেখৰ পুত্ৰ কৰিমুল্লাহ শ্বেখ নালিয়া তৃতীয় খণ্ড গাঁৱৰ আব্দুল আজিজ বেপাৰীৰ পুত্ৰ এনামুল আলী বেপাৰী বানিয়ামাৰী প্ৰথম খণ্ড গাঁৱৰ ছিৰাজ আলী মণ্ডলৰ পুত্ৰ আশ্ৰাফুল আলী মণ্ডল আৰু দক্ষিণ ৰায়পুৰৰ হামিদুল আলীৰ পুত্ৰ আতিনুৰ আলী। আৰক্ষীয়ে আটাইকেইজনকে ধুবুৰী আদালতত হাজিৰ কৰি জে'ললৈ প্ৰেৰণ কৰে। ইপিনে বৰুণডাঙা গাঁৱৰ ছহিদুল ইছলামক যোৱা নিশা আটক কৰাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অভিযোগ মতে, ছহিদুলক ইয়াৰ পূৰ্বে বাল্য-বিবাহৰ অভিযোগত গোলকগঞ্জ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰিছিল। তেওঁ জামিনত মুক্ত হৈ আহিছে যদিও গোচৰটো আদালতত এতিয়াও বিচাৰাধীন হৈ আছে। তেনেক্ষেত্ৰত আৰক্ষীয়ে মাজনিশা দুৱাৰ ভাঙি ছহিদুলক দুৰ্ধৰ্ষ অপৰাধীৰ দৰে আটক কৰা ঘটনাক ৰাইজে তীব্ৰ ভাষাৰে গৰিহণা দিয়ে।



ডিব্ৰুগড়ত আক্ৰাছুৰ সভা, নতুনকৈ জিলা সমিতি গঠন, ফটোঃ ই-সংবাদ, চাবুৱা-লাহোৱাল

# বাংলাদেশত হিন্দুৰ ওপৰত অত্যাচাৰৰ বিৰুদ্ধে বৰপেটাৰোডত বজৰং দলৰ প্ৰতিবাদ

**ই-সংবাদ, বৰপেটাৰোড, ২২ ডিচেম্বৰঃ** বাংলাদেশত হৈ থকা হিন্দুৰ ওপৰত অত্যাচাৰৰ বিৰুদ্ধে বৰপেটাৰোডত ৰাষ্ট্ৰীয় বজৰং দলে তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ৰাষ্ট্ৰীয় বজৰং দলৰ বৰপেটাৰোড প্ৰখণ্ডৰ উদ্যোগ উলিওৱা প্ৰতিবাদী কাৰ্যসূচীত ৫ শতাধিক প্ৰতিবাদকাৰীয়ে বৰপেটাৰোডৰ ৰাজপথ উত্তাল কৰি তোলে। বাংলাদেশত সংখ্যালঘু হিন্দু সনাতন ধৰ্মৰ লোকৰ ওপৰত অত্যাচাৰ, হত্যা বন্ধ কৰাৰ দাবীত এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে সংগঠনটোৱে। দেশখনত হিন্দু ধৰ্মৰ লোকৰ ওপৰত অত্যাচাৰ, হত্যা, মন্দিৰত আক্ৰমণৰ দৰে কাৰ্য-কলাপ অতি শীঘ্ৰে বন্ধ কৰাৰ দাবীৰে ভাৰত চৰকাৰক শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংগঠনটোৱে দাবী জনায়। প্ৰতিবাদী কাৰ্যসূচীত জয় শ্ৰী ৰাম, বাংলাদেশ হুচিয়াৰ, ইউনিছ চৰকাৰ হায়! হায়!, হিন্দুক সুৰক্ষা দিয়ক আদি বিভিন্ন শ্লোগানেৰে বৰপেটাৰোডৰ ৰাজপথ উত্তাল কৰি তোলে। হিন্দুৰ ওপৰত এনেধৰণৰ অত্যাচাৰ অব্যাহত থাকিলে হাতত অস্ত্ৰ তুলি লোৱাৰো হুংকাৰ দিয়ে বজৰংগ দলৰ নেতাই।

# মুখ্যমন্ত্ৰীক অসমৰ ৰাইজৰ ওচৰত ক্ষমা খুজিবলৈ দাবী জনীয়াৰ বিধায়কৰ

**ই-সংবাদ, কলগাছিয়া, ২২ ডিচেম্বৰঃ** অসম প্ৰদেশ কংগ্ৰেছৰ ৰাজভৱন ঘেৰাও কাৰ্যসূচীৰ সময়ত বুধবাৰে অসম আৰক্ষীয়ে কন্দুৱা গেছ ব্যৱহাৰ কৰাত কংগ্ৰেছ নেতা অধিবক্তা মৃদুল ইছলামৰ মৃত্যু ঘটে। এই ঘটনাক তীব্ৰ গৰিহণা দিয়ে জনীয়াৰ বিধায়ক ড০ হাফিজ ৰফিকুল ইছলামে। এই ক্ষেত্ৰত অসম চৰকাৰ আৰু অসম পুলিচৰ বৰ্বৰ আক্ৰমণৰ ঘটনাৰ তদন্তৰ দাবী জনায় বিধায়কগৰাকীয়ে। তেওঁ কয় যে কন্দুৱা গেছত কিবা বিষাক্ত পদাৰ্থ আছিল নেকি? যদি নাই তেন্তে এই গেছ নিক্ষেপ কৰাৰ পিছত মানুহ মৰাৰ কোনো কথাই নাহে। অসম আৰক্ষীয়ে কন্দুৱা গেছ নিক্ষেপ কৰাত ছমৰীয়া সমষ্টিৰ কংগ্ৰেছৰ যুৱনেতা, অধিবক্তা মৃদুল ইছলামৰ মৃত্যু হোৱাৰ লগতে কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ যোৱা কেইবাজনো নেতাৰ লগতে সাংবাদিক আহত হৈ চিকিৎসাধীন হৈ আছে। এই ঘটনাৰ উচ্চস্তৰীয় তদন্তৰ দাবী জনাইছে বিধায়ক ৰফিকুল ইছলামে। বিধায়কগৰাকীয়ে মুখ্যমন্ত্ৰীক অসমৰ ৰাইজৰ ওচৰত ক্ষমা খোজাৰ দাবী জনোৱাৰ লগতে দোষী পুলিচৰ বিৰুদ্ধে আইনগত ব্যৱস্থা লোৱাৰ দাবী জনায়।



গোৱালপাৰা ফটোগ্ৰাফিক ছ'চাইটিৰ উদ্যোগত দুধনৈত 'ডামল ৫.০' শীৰ্ষক আলোকচিত্ৰ প্ৰদৰ্শনীৰ এটি দৃশ্য





সোণৰ অলংকাৰসহ টকাৰ মোনা হেৰাই পাই গৰাকীক ঘূৰাই দিয়া ই-ৰিক্সা চালকজন, কাষৰ ছবিত অলংকাৰখিনি

# ই-ৰিক্সা চালকৰ মহানুভৱতা! সোণৰ অলংকাৰসহ টকাৰ মোনা পায়ো উভতাই দিলে গৰাকীক

**ই-সংবাদ, গোলকগঞ্জ, ২১ ডিচেম্বৰঃ** মানৱতাৰ প্ৰমূল্যবোধৰ চৰম অৱক্ষয়ৰ সময়তে গোলকগঞ্জত যোৱা নিশা মানৱতাৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিলে এগৰাকী ই-ৰিক্সা চালকে। চালকজনৰ নাম গোলকগঞ্জ পৌৰসভাৰ আঠ নং ৱাৰ্ডৰ সঞ্জয় চন্দ। জানিব পৰা মতে, গোলকগঞ্জ ডাকঘৰৰ কৰ্মচাৰী বৰুণ দাসৰ পত্নী নমিতা দাস বঙাইগাঁও যোৱাৰ উদ্দেশ্যে ৰে'লৰ টিকট কাটিবলৈ ককায়েক আৰু পুত্ৰক নিজ বাসস্থান সাত নং ৱাৰ্ডৰ পৰা ই-ৰিক্সাৰে ষ্টেচনলৈ পঠিয়াই দিয়ে। লগত পঠিয়াই দিয়ে দুটা মোনা। ষ্টেচনৰ কাষতে দুয়োকে নমাই থৈ আন যাত্ৰী লৈ ই-ৰিক্সা গুচি যায় বিৰাট নগৰ চাৰিআলি আভিমুখে। কিছু সময় পলমকৈ নমিতা দাস ষ্টেচনত উপস্থিত হৈ এটা মোনা পায় যদিও আনটো নাপাই হুলস্থুল লগায়। কাৰণ ই-ৰিক্সাত এৰি যোৱা মোনাটোতে আছিল নগদ ধনৰ লগতে সোণৰ আ-অলংকাৰ। ইয়াকে লৈ এক অনাহুত পৰিস্থিতিৰ সৃষ্টি হয়। কিয়নো তিনিজনৰ কোনেও চিনি নাপায় ই-ৰিক্সা চালকগৰাকীক। সকলোৰে গৈ উপস্থিত হয় গোলকগঞ্জ থানাত। থানাৰ সন্মুখেৰে ই-ৰিক্সাখন গৈছিল। সেয়ে ই-ৰিক্সাৰ সন্ধেদ উলিয়াবলৈ আৰক্ষী ব্যস্ত হৈ পৰে চিচি কেমেৰাৰ ভিজুৱেল পৰীক্ষা কৰাত। ইপিনে, মোনাখনক লৈ সমস্যাত পৰে ই-ৰিক্সা চালক সঞ্জয় চন্দ। তেওঁলোক নামি যোৱাৰ পিছতে মোনাটো এজন যাত্ৰীৰ চকুত পৰে। উল্লেখ্য যে মোনাৰ গৰাকীয়ে ই-ৰিক্সা চালকক চিনি নাপালেও ই-ৰিক্সা চালকে কিন্তু চিনি পাইছিল। সৰ্বোপৰি মোনাটোৰ প্ৰতি কোনো লোভ-লালসা নাছিল ই-ৰিক্সা চালকজনৰ। তেওঁ সৎ চিন্তাৰে মোনাটো লৈ পোনে পোনেই উপস্থিত হয় নমিতা দাসৰ গৃহত। সেই সময়ত কাকো ঘৰত নাপাই উপস্থিত হয় গৈ আৰক্ষী থানাত। তাতে দেখা দেখি হয় মোনাৰ গৰাকীৰ লগত। মোনাৰ ভিতৰত সকলো ঠিকে ঠাকে পাই আনন্দত আত্মহাৰা হৈ পৰে নমিতা আৰু তেওঁৰ পৰিয়াল। ই-ৰিক্সা চালক সঞ্জয় চন্দৰ মহানুভৱতাত মুগ্ধ হৈ পৰে আৰক্ষীৰ লগতে উপস্থিত ৰাইজ।

# মৰিগাঁৱৰ বৰঙাবাৰীত শিক্ষাবিদ ভদ্ৰকান্ত বৰাৰ স্মৃতিচাৰণ সভা

**ই-সংবাদ, মৰিগাঁও, ২২ ডিচেম্বৰঃ** মৰিগাঁৱৰ বিশিষ্ট শিক্ষাবিদ, মৰিগাঁও বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, এসময়ৰ জাতীয়তাবাদী নেতা সদ্য প্ৰয়াত ভদ্ৰকান্ত বৰাৰ এখন স্মৃতিচাৰণ সভা যোৱা ২১ ডিচেম্বৰত তেওঁৰ জন্মস্থান মৰিগাঁও চহৰৰ সমীপৱৰ্তী বৰঙাবাৰীত অনুষ্ঠিত কৰা হয়। বৰঙাবাৰীৰ মতিৰাম বৰা আদৰ্শ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এই স্মৃতিচাৰণ সভাখনত সভাপতিত্ব কৰে অসম সাহিত্য সভাৰ নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক প্ৰতাপ হাজৰিকাই। সভাত অংশগ্ৰহণ কৰি মৰিগাঁও জিলা কৰ্মচাৰী পৰিষদৰ সম্পাদক খগেন মহন্ত, মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মা, গেৰুৱা মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বাবুল বৰা, বৰঙাবাৰীৰ মতিৰাম বৰা মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জয়ন্ত কুমাৰ হাজৰিকা, মৰিগাঁও বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অমিয় কুমাৰ বৰা, বিষয় শিক্ষক ড০ হাতেম আলী, অসম গণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক শান্তনু শৰ্মা, জিলা সমিতিৰ সভাপতি ৰাজেন বৰা, মৰিগাঁও জিলা পশু চিকিৎসা বিষয়া ডাঃ নীলোৎপল কাকতি, অসম উন্নতি সভাৰ সম্পাদক অতনু কুমাৰ শৰ্মা প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তিয়ে প্ৰয়াত বৰাৰ বৰ্ণময় জীৱন আৰু কৰ্মৰাজিৰ বিষয়ে আলোকপাত কৰি তেওঁক সশ্ৰদ্ধ স্মৰণ কৰে। সভাত সভাপতিৰ ভাষণত সাহিত্যিক তথা জ্যেষ্ঠ সাংবাদিক প্ৰতাপ হাজৰিকাই কয় যে পৃথিৱীত কোনো লোকেই অপৰিহাৰ্য নহয়, কিন্তু জীৱন কালৰ কামৰ দ্বাৰা অমৰ হ'ব পাৰে। এই সভাতে বিমল চন্দ্ৰ বৰকাকতিৰ দ্বাৰা সম্পাদিত 'আলোকৰ যাত্ৰী' শীৰ্ষক স্মাৰক গ্ৰন্থ এখন উন্মোচন কৰে মৰিগাঁও জিলাৰ কৃষি বিষয়া অশোক শৰ্মাই। মৰিগাঁও জিলা সত্ৰ মহাসভা, বৰঙাবাৰী শাখা সাহিত্য সভা, শ্ৰীশ্ৰী লক্ষ্মী মন্দিৰ পৰিচালনা সমিতি, আঞ্চলিক বিহু উদযাপন সমিতি, যুৱ সংঘকে ধৰি সাতটাকৈ সংগঠনৰ উদ্যোগত অনুষ্ঠিত এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোৰ আঁত ধৰে সাংস্কৃতিক কৰ্মী বিমল চন্দ্ৰ বৰকাকতিয়ে। স্মৃতিচাৰণ সভাখনক লৈ সন্তুষ্টি প্ৰকাশ কৰিছে ৰাইজে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# বৰপেটাত স্কুটী, চাইকেল বিতৰণ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ

**ই-সংবাদ, বৰপেটাৰোড, ২২ ডিচেম্বৰঃ** অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে শনিবাৰে বৰপেটাত চাইকেল, স্কুটী আৰু চাইকেল বিতৰণ কাৰ্যসূচী ৰূপায়ণ কৰে। অসম চৰকাৰৰ বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অংশ হিচাপে আজি বৰপেটা জিলাত প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত ২০২৪ বৰ্ষৰ উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ মাজত স্কুটী বিতৰণ কৰে মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে। ইয়াৰ লগতে চলিত বৰ্ষৰ আনন্দৰাম বৰুৱা বঁটা আৰু নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চাইকেল বিতৰণ কৰে। বৰপেটা ছায়াৰাম ছোৱালী শিক্ষানুষ্ঠান খেলপথাৰত আয়োজিত অনুষ্ঠানত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে বৰপেটা জিলাত ২,২০৫ গৰাকী গৰাকী ছাত্ৰ- ছাত্ৰীক প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত স্কুটী প্ৰদান কৰে। আনহাতে, আনন্দৰাম বৰুৱা বঁটা প্ৰদান অনুষ্ঠানত ১,২৮৯ গৰাকী ছাত্ৰ-ছাত্ৰীক চেক প্ৰদান কৰে। এই অনুষ্ঠানতে জিলাখনৰ নৱম শ্ৰেণীত অধ্যয়নৰত ১৮,৪৭৭ গৰাকী ছাত্ৰ-ছাত্ৰীক চাইকেল প্ৰদান কৰা হয়। আজিৰ কাৰ্যসূচীত মন্ত্ৰী পাটোৱাৰীয়ে প্ৰতীকী ৰূপত একাংশ ছাত্ৰ-ছাত্ৰীৰ মাজত এই পুৰস্কাৰ আৰু উপহাৰ বিতৰণ কৰে। মন্ত্ৰীগৰাকীয়ে ভাষণত ছাত্ৰ-ছাত্ৰীসকলক নিজৰ দক্ষতা বৃদ্ধিত গুৰুত্ব দিবলৈও পৰামৰ্শ আগবঢ়ায়। তেওঁ কয় যে প্ৰতিযোগিতাৰ ক্ষেত্ৰখন দিনে দিনে অধিক প্ৰত্যাহ্বানমূলক হৈ পৰিছে। প্ৰযুক্তিয়ে এই প্ৰত্যাহ্বান আনিছে। ইয়াৰ লগতো যুঁজ কৰিব লাগিব ছাত্ৰ-ছাত্ৰীসকলে। তেওঁ ইয়াৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক সময় অবাবত সময় নষ্ট কৰিবলৈ আহ্বান জনায়। আজিৰ এই অনুষ্ঠানত বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া ড০ বাবুল চন্দ্ৰ দাস, ভবানীপুৰৰ বিধায়ক ফণীধৰ তালুকদাৰ, জিলা আয়ুক্ত ৰোহণ কুমাৰ ঝা, বৰপেটা জিলা ভাৰতীয় জনতা পাৰ্টীৰ সভাপতি অনিল কুমাৰ দাস উপস্থিত থাকে।




তামুলপুৰ জিলা ৰাভা ছাত্ৰ সন্থাৰ প্ৰথম দ্বি-বাৰ্ষিক অধিবেশনৰ সামৰণি, ফটোঃ ই-সংবাদ, তামুলপুৰ

# ৰূপহীৰ সোণাৰিবালি প্ৰাথমিক বিদ্যালয়ত বিশেষ প্ৰদৰ্শনী

**ই-সংবাদ, পুৰণিগুদাম, ২২ ডিচেম্বৰঃ** নগাঁও জিলাৰ চামগুৰিস্থিত ৰূপহী প্ৰাথমিক শিক্ষাখণ্ডত অধীনৰ কনুৱামাৰি মণ্ডল সমল কেন্দ্ৰৰ উদ্যোগত সমগ্ৰ শিক্ষা অসমৰ অধীনত শনিবাৰে সোণাৰিবালি প্ৰাথমিক বিদ্যালয়ত শিক্ষণ-শিকণ সামগ্ৰীৰ প্ৰদৰ্শনী আৰু প্ৰতিযোগিতা অনুষ্ঠিত হয়। ৰূপহী শিক্ষা খণ্ডৰ অধীনৰ কনুৱামাৰি মণ্ডল সমল কেন্দ্ৰৰ অধীনস্থ নখন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়ত্ৰীসকলে এই প্ৰদৰ্শনী আৰু প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি শিশু-শিক্ষা উপযোগী শিক্ষণ-শিকণ সামগ্ৰীৰ বিভিন্ন শিক্ষণ প্ৰণালী প্ৰদৰ্শন কৰে। কনুৱামাৰি মণ্ডল সমল কেন্দ্ৰৰ অধীনৰ বিদ্যালয়সমূহৰ এই প্ৰদৰ্শনীত ৰূপহী শিক্ষাখণ্ডৰ শিক্ষা বিষয়া ৰঞ্জন কুমাৰ দাস জিলা আঁচনি বিষয়া গুলজাৰ হুছেইন, খণ্ড সমল ব্যক্তি সবিতা দাস কনুৱামাৰি মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক বুবু দাস উপস্থিত থাকে। সোণাৰিবালি প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হোৱা শিক্ষণ-শিকণ সঁজুলি প্ৰদৰ্শনী আৰু প্ৰতিযোগিতাখনত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক জামালউদ্দিন আহমেদ আৰু নিৰঞ্জন দাস উপস্থিত থাকে। শিক্ষাৰ কাৰিকৰী আৰু গুণগত মান উন্নত কৰাৰ উদ্দেশ্যে শিক্ষা বিভাগৰ অধীনত এই শিক্ষণ-শিকণ সঁজুলিৰ প্ৰদৰ্শনী প্ৰতিযোগিতা দুটা পৰ্যায়ত আয়োজন কৰিছে। প্ৰথম পৰ্যায়ৰ 'সাংখ্যিকতা' শাখাৰ প্ৰথম স্থান লাভ কৰে ওৱাহিদা শ্ববনম আহমেদ, ১৭০ নং সোণাৰিবালি মোক্তাব বিদ্যালয়, দ্বিতীয় স্থান লাভ কৰে মৌচুমী বৰা, পুৰণা কনুৱামাৰি প্ৰাথমিক বিদ্যালয় আৰু তৃতীয় স্থান লাভ কৰে বাপন দাসে, কনুৱামাৰি গনিবস্তি প্ৰাথমিক বিদ্যালয়। আনহাতে, দ্বিতীয় পৰ্যায়ৰ 'সাক্ষৰতা' শাখাত প্ৰথম স্থান দেৱযানী বৰদলৈ, পূব মোৱামাৰি আস্কৰ আলী বিদ্যালয়, দ্বিতীয় স্থান মৌচুমী দেৱী, সোণাৰিবালি প্ৰাথমিক বিদ্যালয় আৰু তৃতীয় স্থান ফৰিদা বেগম, কনুৱামাৰি মোক্তাব বিদ্যালয়-এ লাভ কৰে। কনুৱামাৰি মণ্ডল সমল কেন্দ্ৰৰ সকলো বিদ্যালয়ৰ শিক্ষক-শিক্ষয়ত্ৰীয়ে অংশগ্ৰহণ কৰা শিক্ষণ-শিকণ সঁজুলি প্ৰদৰ্শনীৰ প্ৰতিযোগীসকলক মানপত্ৰ, ট্ৰফী প্ৰদান কৰি সন্মান প্ৰদান কৰা হয়।

# চিৰঞ্জীত গগৈক ভাওনা প্ৰাণ বঁটা

**ই-সংবাদ, শিৱসাগৰ, ২২ ডিচেম্বৰঃ** ভাওনা অভিনেতা, পৰিচালক তথা শিল্পী চিৰঞ্জীত গগৈ ওৰফে বাস্তৱ মিণ্টু গগৈক সামাজিক-সাংস্কৃতিক অনুষ্ঠান দীনবন্ধুৰ উদ্যোগত শেহতীয়াকৈ ভাওনা প্ৰাণ বঁটা প্ৰদান কৰা হয়। দিলিহি গোহাঁই গাঁও আলিচুক নামঘৰত শেহতীয়াকৈ চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা শ্ৰী মদ্ভাগৱত পাঠ, প্ৰৱচন আৰু ভাওনা প্ৰদৰ্শন অনুষ্ঠানত চিৰঞ্জীত গগৈক ভাওনা প্ৰাণ বঁটা প্ৰদান কৰা হয়। বেতবাৰী কোৱামৰা সন্দিকৈ গাঁও নিবাসী চিৰঞ্জীত গগৈয়ে শিশুকালৰ পৰাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মহান সৃষ্টি ভাওনাসমূহত সুন্দৰ, বলিষ্ঠ অভিনয় কৰি দৰ্শক তথা ভক্তপ্ৰাণ ৰাইজক মোহাবিষ্ট কৰি আহিছে। বেতবাৰী মৌজাৰ ভিন্ন প্ৰান্তত থকা নামঘৰসমূহত অনুষ্ঠিত হোৱা ভাওনা, ভাওনা প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰি ইতিপূৰ্বে কেইবাবাৰো শ্ৰেষ্ঠ অভিনেতাৰ সন্মান পাবলৈ সক্ষম হৈছে। শেহতীয়াকৈ দিলিহি গোহাঁই গাঁও আলিচুক নামঘৰত অনুষ্ঠিত শ্ৰীমদ্ভাগৱত পাঠ, প্ৰৱচন আৰু ভাওনা প্ৰদৰ্শন অনুষ্ঠানত উদযাপন সমিতিৰ সভাপতি শান্তনু বুঢ়াগোহাঁই, সম্পাদক বুধিন বুঢ়াগোহাঁই, সহকাৰী সম্পাদক গৌতম বুঢ়াগোহাঁই, পংকজ বুঢ়াগোহাঁই, দীনবন্ধুৰ সভাপতি অচ্যুত চুতীয়া, যুটীয়া সম্পাদক পল্লৱ কুমাৰ চুতীয়া, পংকজ বুঢ়াগোহাঁইকে প্ৰমুখ্যে কৰি বহু গণ্য মান্য ব্যক্তি উপস্থিত থাকে।

# কলগাছিয়াৰ চেনিমাৰীত অগ্নিকাণ্ড

**ই-সংবাদ, কলগাছিয়া, ২২ ডিচেম্বৰঃ** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত চেনিমাৰীস্থিত শ্বাহিদুল ইছলামৰ এম এছ ইছলাম ইঞ্জিনিয়াৰিং ইণ্টাৰপ্ৰাইজৰ গোডাউনত বৃহস্পতিবাৰে নিশা সংঘটিত হয় ভয়ংকৰ অগ্নিকাণ্ড। অগ্নিকাণ্ডত প্ৰায় ৯.৫০ কোটি টকাৰ ক্ষতি সাধন হয়। জানিব পৰা মতে, বৃহস্পতিবাৰে নিশা অনুমান ২.৩০ বজাত বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ ফলত অগ্নিকাণ্ডৰ সূত্ৰপাত হয় যদিও পৰৱৰ্তী সময়ত ভয়ংকৰ ৰূপ ধাৰণ কৰে। পৰৱৰ্তী সময়ত স্থানীয় ৰাইজে কলগাছিয়া অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়াত ঘটনাস্থলীত অগ্নিনিৰ্বাপক বাহিনীয়ে উপস্থিত হৈ অগ্নি নিৰ্বাপণ কৰিবলৈ সক্ষম হয় যদিও সমগ্ৰ সামগ্ৰী জুইত জাহ যায়। তাৰে মাজত ৰোড, চিমেণ্ট, টাইলছ, চাৰিচকীয়া বাহনৰ আৰু ট্ৰেক্টৰৰ পাৰ্টছ, টায়াৰ, গ্ৰীচ বনোৱা সামগ্ৰী আদি কৰি বহু সামগ্ৰী সম্পূৰ্ণৰূপে ভস্মীভূত হয়। ফলত দুখত ভাঙি পৰে এম এছ ইছলাম ইঞ্জিনিয়াৰিং ইণ্টাৰপ্ৰাইজৰ স্বত্বাধিকাৰী শ্বাহিদুল ইছলাম। এই অগ্নিকাণ্ডৰ ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে।

# চামগুৰিত পথ দুৰ্ঘটনাত এজন নিহত

**ই-সংবাদ, পুৰণিগুদাম, ২২ ডিচেম্বৰঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত তেলিয়াগাঁও অঞ্চলৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথত শুকুৰবাৰে সংঘটিত এক পথ দুৰ্ঘটনাত এজন লোক থিতাতে নিহত হয়। জানিব পৰা মতে, সেইদিনা সন্ধ্যাৰ সময়ত দক্ষিণপাট বালিগাঁৱৰ চান্দেৰ আলী নামৰ লোকজনে তেলিয়াগাঁৱৰ সুতাৰ মুছলিম গাঁৱত থকা সম্বন্ধীয় লোকৰ ঘৰলৈ আহিছিল। উক্ত লোকজনে তেলিয়াগাঁও অঞ্চলৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হ'বলৈ চেষ্টা কৰাৰ সময়ত এখন দ্ৰুতবেগী গাড়ীয়ে লোকজনক মহটিয়াই নিয়ে। ফলত চান্দেৰ আলী নামৰ লোকজন থিতাতে নিহত হয়। উক্ত লোকজনে সুতাৰ মুছলিম গাঁৱত থকা সম্বন্ধীয় লোকৰ ঘৰত জীয়ৰীৰ বিয়াৰ নিমন্ত্ৰণ দিবলৈ আহিছিল বুলি জানিব পৰা গৈছে। আনহাতে, পথ দুৰ্ঘটনাটো সংঘটিত হোৱাৰ পাছত ঘটনাস্থলীত এটা আৰক্ষী দল উপস্থিত হৈ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# অৱসৰপ্ৰাপ্ত বিষয়া হবিবুৰ ৰহমানৰ মৃত্যু

**ই-সংবাদ, ডিব্ৰুগড়, ২২ ডিচেম্বৰঃ** ডিব্ৰুগড়ৰ তিনিকোণীয়া নিবাসী আলহজ হবিবুৰ ৰহমানৰ (হেনৰী) শুকুৰবাৰে নিশা বাৰ্ধক্যজনিত কাৰণত ৮৬ বছৰ বয়সত মৃত্যু হয়। ১৯৩৮ চনৰ ৩০ জুলাইত জন্ম গ্ৰহণ কৰা হবিবুৰ ৰহমানে ডিব্ৰুগড়ৰ ইণ্ডাষ্ট্ৰিয়েল ট্ৰিবিউনেল কাৰ্যালয়ত জ্যেষ্ঠ পঞ্জীয়ক বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰি ১৯৯৭ চনত সেই চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। এগৰাকী অতি নম্ৰ, ভদ্ৰ ব্যক্তি ৰূপে পৰিচিত ৰহমান সকলোৰে মাজত 'হেনৰী' বুলিয়ে পৰিচিতি লাভ কৰিছিল। ২০০১ চনত তেওঁ মক্কা-মদিনালৈ গৈ পৱিত্ৰ হজ্বব্ৰত সমাপন কৰি আহে। অনেক সামাজিক কাম-কাজৰ লগত জড়িত ৰহমান কেবাবছৰো ধৰি তিনিকোণীয়া মছজিদ কমিটীৰ সভাপতি আৰু সম্পাদকৰ দয়িত্ব পালন কৰে। অসমীয়া গামোচাখন আছিল ৰহমানৰ ডিঙিত চিৰলগৰী। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ লগতে এজন পুত্ৰ, দুগৰাকী কন্যা আৰু নাতি-নাতিনীসহ পৰিয়ালৰ অনেক আত্মীয়ক ইহসংসাৰত এৰি থৈ যায়। আজি স্থানীয় নালিয়াপুল কবৰস্থানত অনেক গুণমুগ্ধৰ উপস্থিতিত তেওঁৰ জানাজা সম্পন্ন কৰা হয়। তেওঁৰ মৃত্যুত তিনিকোণীয়া অঞ্চলটোত শোকৰ ছাঁ পৰে। তিনিকোণীয়া মছজিদ জামাত, ডিব্ৰুগড় ঈদগাহ সমিতিৰ সভাপতি-সম্পাদক, ডিব্ৰুগড় জিলা ইমাম সন্থা, ডিব্ৰুগড় জিলাৰ জমিয়ত উলেমাৰ সভাপতি-সম্পাদক আদি অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালক সমবেদনা জনায়।

# দুধনৈ আইটিডিপিৰ অধ্যক্ষ তপন ৰাভাৰ মৃত্যু, ৰাভা হাছঙত শোকৰ ছাঁ

**ই-সংবাদ, ধূপধৰা, ২২ ডিচেম্বৰঃ** ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ ২নং কোঠাকুঠি পৰিষদীয় সমষ্টিৰ প্ৰাক্তন সাধাৰণ সদস্য তথা অসম চৰকাৰৰ অধীনস্থ দুধনৈস্থিত সমন্বিত জনজাতি উন্নয়ন প্ৰকল্প অধ্যক্ষ তপন চন্দ্ৰ ৰাভাৰ শনিবাৰে পুৱা প্ৰায় ৬ বজাত গুৱাহাটী চিকিৎসালয় মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। কিছুদিন ধৰি কেবাটাও ৰোগত আক্ৰান্ত হৈ থকা তপন ৰাভাক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হস্পিতালত উন্নত চিকিৎসাৰ বাবে ভৰ্তি কৰা হৈছিল যদিও চিকিৎসাধীন অৱস্থাতে আজি পুৱা শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল প্ৰায় ৪৮ বছৰ। মৃত্যুৰ সময়ত পত্নীৰ লগতে দুজন পুত্ৰ সন্তান আৰু জন্মদাত্ৰী মাতৃক এৰি থৈ যায়। ৰাভাৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে ৰাভা হাছঙৰ বিভিন্ন প্ৰান্তত শোকৰ ছাঁ বিয়পি পৰে। ৰাভাই মৃত্যুৰ আগমুহূৰ্তলৈ বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত জড়িত থকাৰ উপৰিও ধূপধৰা আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ প্ৰাক্তন সম্পাদক, গোৱালপাৰা জিলা ষষ্ঠ অনুসূচী দাবী সমিতিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য, দুধনৈ পূৰ্বাঞ্চল ৰাভা যুৱ ছাত্ৰ পৰিষদৰ প্ৰাক্তন সম্পাদক আৰু বৰ্তমানৰ উপদেষ্টা, দক্ষিণ বিকালী ৰাভা শাখা যুৱ পৰিষদৰ প্ৰাক্তন সভাপতি আৰু সম্পাদকৰ দায়িত্ব পালনৰ লগতে অঞ্চলটোত বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ সৈতেও জড়িত আছিল। তপন ৰাভাৰ মৃত্যুৰ খবৰ পোৱাৰ লগে লগে নিখিল ৰাভা ছাত্ৰ সন্থা, নিখিল ৰাভা মহিলা পৰিষদ, ষষ্ঠ অনুসূচী দাবী সমিতিৰ শীৰ্ষ নেতৃবৃন্দই গভীৰ শোক প্ৰকাশ কৰাৰ লগতে নিখিল ৰাভা ছাত্ৰ সন্থাৰ সভাপতি মতিলাল বাকছক, নিখিল ৰাভা মহিলা সমিতিৰ সাধাৰণ সম্পাদিকা কবিতা ৰাভাৰ নেতৃত্বত ৰাভা জাতীয় সংগঠনৰ শীৰ্ষ বিষয়ববীয়াৰ এটা দলে তপন ৰাভাৰ ধূপধৰাৰ সমীপৰ কোঠাকুঠিৰ শালপাৰাস্থিত বাসগৃহলৈ গৈ শেষ শ্ৰদ্ধা নিবেদন কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী পাৰিষদ টংকেশ্বৰ ৰাভাই তপন ৰাভাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। ইয়াৰোপৰি ৰাভা হাছং যৌথ মঞ্চইও সতীৰ্থগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। তেওঁৰ মৃতদেহ আজি আবেলি গুৱাহাটীৰ পৰা শালপাৰাৰ নিজ গাঁৱলৈ অনা হয় আৰু সন্ধিয়া ৰাভাৰ শেষকৃত্য সম্পন্ন কৰা হয়।

# তিনিচুকীয়া জিলা পথ সুৰক্ষা সমিতিৰ বৈঠক, অভিযান চলিব সুৰাপায়ীৰ বিৰুদ্ধে

**ই-সংবাদ, ডুমডুমা, ২২ ডিচেম্বৰঃ** তিনিচুকীয়া জিলাৰ পথ সুৰক্ষা সমিতিৰ এখন নিয়মীয়া বৈঠক শনিবাৰে জিলা আয়ুক্ত স্বপ্নীল পালৰ সভাপতিত্বত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। সভাত জিলাখনৰ দুৰ্ঘটনা ৰোধৰ উদ্দেশ্যে চলি থকা কাৰ্যসমূহ আলোচনাৰ কৰাৰ লগতে নিৰ্মাণ কাৰ্য চলি থকা আৰু ঘাইপথ সংলগ্ন পথৰ চিনাক্তকৰণৰ বাবে পৰ্যাপ্ত মাত্ৰাত পথচিহ্ন আৰু প্ৰতিফলক আদি স্থাপনৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথ আন্তঃগাঁথনি উন্নয়ন নিগম আৰু লোক নিৰ্মাণ বিভাগক নিৰ্দেশ দিয়ে। আগন্তুক ইংৰাজী নৱবৰ্ষত দুৰ্ঘটনা ৰোধৰ উদ্দেশ্যেৰে অহা ২৮ ডিচেম্বৰৰ পৰা ২ জানুৱাৰী, ২০২৫ লৈকে আবকাৰী, আৰক্ষী আৰু পৰিবহণৰ যুটীয়া দল গঠন কৰি সুৰাপায়ী, হেলমেটবিহীন চালকৰ বিৰুদ্ধে অভিযান চলাবলৈ নিৰ্দেশ দিয়ে। সভাত অতিৰিক্ত আয়ুক্ত মিৰ্জানা হুছেইন, সহঃ আয়ুক্ত মাধুৰিমা দিহিঙীয়া, যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ জয়ন্ত ভট্টাচাৰ্যৰ উপৰি লোক নিৰ্মাণ বিভাগৰ তিনিচুকীয়া, মাৰ্ঘেৰিটা আৰু দুলীয়াজান আদি সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তাসকল, লোক নিৰ্মাণ বিভাগৰ ৰাষ্ট্ৰীয় ঘাইপথ সংমণ্ডলৰ কাৰ্যবাহী বিষয়া, ৰাষ্ট্ৰীয় ঘাইপথ আন্তঃগাঁথনি উন্নয়ন নিগমৰ বিষয়া, আবকাৰী, শিক্ষা আৰু পৰিবহণ বিভাগৰ জিলা বিষয়াসকল, তিনিচুকীয়া, মাকুম, মাৰ্ঘেৰিটা, ডুমডুমা পৌৰসভাৰ কাৰ্যবাহী বিষয়াসকল উপস্থিত থাকে।

# বিশ্বনাথত বিভিন্ন উন্নয়নমূলক আঁচনিৰ পৰ্যালোচনা মন্ত্ৰী অশোক সিংহলৰ

**ই-সংবাদ, বিশ্বনাথ, ২২ ডিচেম্বৰঃ** ৰাজ্য চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, জলসিঞ্চন বিভাগৰ মন্ত্ৰী তথা বিশ্বনাথ জিলাৰ অভিভাৱক মন্ত্ৰী অশোক সিংহলে শনিবাৰে পুৱা বিশ্বনাথৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মিলন কক্ষত অনুষ্ঠিত এখনি বৈঠকত জিলাখনৰ বিভিন্ন বিভাগসমূহৰ কাম-কাজৰ পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে জিলাখনৰ কৃষি, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, খাদ্য আৰু অসামৰিক যোগান, জলসিঞ্চন, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, জনস্বাস্থ্য কাৰিকৰী, সমাজ কল্যাণ, লোকনিৰ্মাণ আদি প্ৰায় প্ৰতিটো গুৰুত্বপূৰ্ণ বিভাগৰ অধীনত ৰূপায়িত বিভিন্ন আঁচনিৰ কাম-কাজসমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। বৈঠকত তেওঁ জিলাখনত চলি থকা প্ৰধানমন্ত্ৰী আৱাস যোজনা, জল-জীৱন মিছন, আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ, বীজ বিতৰণ, পোষণ অভিযান, চাহ বাগিচাৰ গৰ্ভৱতী মহিলাৰ মজুৰিৰ ক্ষতিপূৰণ আদি আঁচনিৰ অগ্ৰগতিৰো বিশদভাৱে বুজ লয়। জিলাখনত মহিলা আৰু শিশুৰ পৰিপুষ্টিজনিত সূচকসমূহৰ উন্নয়ন, হিতাধিকাৰীৰ মাজত আয়ুষ্মান কাৰ্ড বিতৰণ আৰু প্ৰতিষেধক প্ৰদান অভিযানক অগ্ৰাধিকাৰৰ ক্ষেত্ৰ হিচাপে লৈ কাম কৰিবলৈ তেওঁ জিলা আয়ুক্তক নিৰ্দেশ দিয়ে। জিলাখনত আত্মহননৰ বৰ্ধিত হাৰত উদ্বেগ প্ৰকাশ কৰি ইয়াৰ কাৰণ অন্বেষণৰ বাবে এক সামাজিক সমীক্ষা চলাবলৈ তেওঁ সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগক নিৰ্দেশ দিয়ে। বৈঠকত বিশ্বনাথ, গহপুৰ আৰু বিহালী সমষ্টিৰ বিধায়কসকল ক্ৰমে প্ৰমোদ বৰঠাকুৰ, উৎপল বৰা আৰু দিগন্ত ঘাটোৱাল, জিলা আয়ুক্ত মুণিন্দ্ৰ নাথ ঙাটেৰ লগতে জিলা প্ৰশাসনৰ উচ্চ পদস্থ বিষয়া আৰু প্ৰতিটো বিভাগৰ জিলাৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

# মুছলপুৰত নেহৰু যুৱ কেন্দ্ৰৰ যুৱ উৎসৱ

**ই-সংবাদ, মুছলপুৰ, ২২ ডিচেম্বৰঃ** ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ অন্তৰ্গত নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত শনিবাৰে বাক্সাৰ মুছলপুৰত জিলা পৰ্যায়ৰ যুৱ উৎসৱ-২০২৪ অনুষ্ঠিত হয়। এই যুৱ উৎসৱৰ সৈতে সংগতি ৰাখি চিত্ৰাংকন, কবিতা ৰচনা, ফটোগ্ৰাফী, একক আৰু দলীয় নৃত্য-গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। তদুপৰি যুৱ বিজ্ঞানীসকলৰ দ্বাৰা বিভিন্ন উদ্ভাৱনীমূলক বিজ্ঞান সামগ্ৰীৰ প্ৰদৰ্শনী মেলাৰো আয়োজন কৰা হয়। মুছলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এই বিশেষ অনুষ্ঠানত উপস্থিত থাকি বাক্সা জিলা নেহৰু যুৱ কেন্দ্ৰৰ প্ৰ'গ্ৰাম অফিচাৰ আনোৱাৰ হুছেইনে যুৱচামক একেখন মঞ্চত একত্ৰিত কৰি এক সাংস্কৃতিক পৰিৱেশৰ মাজেদি বিভিন্ন শিতানত একক আৰু দলীয় প্ৰতিযোগিতা অনুষ্ঠিত কৰি তেওঁলোকৰ সৃষ্টিশীলতা প্ৰকাশ কৰাৰ এখন মঞ্চ প্ৰদান কৰাই অনুষ্ঠানটোৰ মূল লক্ষ্য বুলি মন্তব্য কৰে। তেওঁ লগতে কয় যে এনেধৰণৰ অনুষ্ঠানৰ মাজেদি যুৱ প্ৰজন্মই প্ৰেৰণাদায়ক পৰিৱেশত নিজৰ দক্ষতা বিকাশ কৰাৰ এক সুৱৰ্ণ সুযোগ লাভ কৰে। আজিৰ অনুষ্ঠানত মুছলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ঘনকান্ত কলিতা সহিতে শিক্ষক-শিক্ষয়িত্ৰীসকলে বিশেষ সহযোগিতা আগবঢ়ায়। উল্লেখ্য যে আজিৰ এই যুৱ উৎসৱত বাক্সা জিলাৰ বিভিন্ন প্ৰান্তৰ শিক্ষানুষ্ঠানৰ পৰা যোগদান কৰা যুৱ প্ৰতিভাৰ গৰাকীসকলে বিভিন্ন শিতানত নিজৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰে।

# বৰপেটা চিআৰইউৰ নতুন কমিটি

**ই-সংবাদ, বৰপেটাৰোড, ২২ ডিচেম্বৰঃ** চেণ্টাৰ অব মেডিকেল এণ্ড ছেলছ ৰিপ্ৰেজেণ্টেটিভছ ইউনিয়ন চমুকৈ চিআৰইউ বৰপেটাৰ জিলা কমিটীৰ ত্ৰি-বাৰ্ষিক অধিৱেশনখন বৰপেটাৰোডৰ আইএমএ হাউছত শনিবাৰে অনুষ্ঠিত হৈ যায়। এই উপলক্ষে পুৱা পতাকা উত্তোলন কৰে জিলা সমিতিৰ সভাপতি চন্দন কুমাৰ সাহাই, শ্বহীদ বেদীত মাল্যাৰ্পণ কৰে উত্তৰ পূৰ্বাঞ্চলৰ কেন্দ্ৰীয় কমিটীৰ সম্পাদক ৰাতুল বৰ্মনে। তাৰ পিছতেই মুকলি সভা আৰু সাংগঠনিক সভা অনুষ্ঠিত হয়। সভাত চিকিৎসা খণ্ডৰ লগত জড়িত ক্ষেত্ৰকৰ্মী আৰু বিক্ৰীয় প্ৰতিনিধিসকলৰ বিভিন্ন সমস্যাৰ ওপৰত আলোচনা কৰা হয়। সভাত আগন্তুক তিনি বছৰৰ বাবে সভাপতি হিচাপে চন্দন কুমাৰ সাহাক, উপ-সভাপতি হিচাপে খনিন্দ্ৰ বৈশ্যক, সম্পাদক হিচাপে অনাথ ৰয় কৰ্মকাৰ আৰু সাধাৰণ সম্পাদক হিচাপে সানি দামক লৈ ১৫জনীয়া এখন নতুন কমিটি গঠন কৰা হয়।

# ধোপৰগুৰি সত্ৰত অবাঞ্চিত ঘটনা, সত্ৰাধিকাৰক নিৰ্যাতনৰ অভিযোগ!

**ই-সংবাদ, হাজো, ২২ ডিচেম্বৰঃ** তীৰ্থনগৰী হাজোত মহাপুৰুষ মাধৱদেৱৰ পদৰেণুৰে ৰঞ্জিত ঐতিহাসিক ধোপৰগুৰি সত্ৰত সংঘটিত এক অবাঞ্চিত ঘটনাক লৈ বৃহত্তৰ অঞ্চলজুৰি সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়া। ঐতিহাসিক সত্ৰখনত নৱ নিয়োজিত সত্ৰাধিকাৰ নামাচাৰ্য কৌস্তভ মণি দাসক নিৰ্যাতনৰ অভিযোগ উত্থাপিত হৈছে। উত্থাপিত অভিযোগ অনুসৰি, সত্ৰাধিকাৰ দাসে পৰিধান কৰা বস্ত্ৰ কোনো দুৰ্বৃত্তই ব্লেডেৰে কাটি চিৰাচিৰি কৰিছে। সত্ৰাধিকাৰগৰাকীয়ে জনোৱা অনুসৰি অইনদিনাৰ দৰে শনিবাৰেও পুৱা নিজৰ একাধিক বস্ত্ৰ ধুই-পখালি শুকাবলৈ মেলি দি সত্ৰৰ কোনো ভকতৰ ঘৰত নাম প্ৰসংগত ব্যস্ত আছিল। সত্ৰত সত্ৰাধিকাৰগৰাকী নথকাৰ সুযোগ বুজি কোনো দুৰ্বৃত্তই শুকাবলৈ মেলি দিয়া বস্ত্ৰবোৰ ব্লেডেৰে কাটি চিৰাচিৰি কৰে। উল্লেখ্য যে, ধোপৰগুৰি সত্ৰৰ পূৰ্বৰ দুগৰাকীকৈ সত্ৰাধিকাৰৰ বিয়োগ ঘটাত বহুদিন ধৰি সত্ৰাধিকাৰ অবিহনে সত্ৰখন চলিছিল। সত্ৰ পৰিচালনা সমিতিয়ে কিছুদিন পূৰ্বে বৰপেটাৰ পৰা আমন্ত্ৰণ কৰি আনি ধোপৰগুৰি সত্ৰৰ সত্ৰাধিকাৰ ৰূপে নিয়োগ কৰিছিল নামাচাৰ্য কৌস্তভমণি দাস বাপক। নতুন সত্ৰাধিকাৰগৰাকীৰ আগমনক কেন্দ্ৰ কৰি ধৰ্মপ্ৰাণ ৰাইজৰ সংখ্যা ক্ৰমশঃ ধোপৰগুৰি সত্ৰলৈ বৃদ্ধি পাবলৈ ধৰিছিল। ব্লেডৰে সত্ৰাধিকাৰগৰাকীৰ বস্ত্ৰ কটাৰ পিছত আন এক ঘটনা পোহৰলৈ আহিছে। ইয়াৰ পূৰ্বেও কোনো লোকে সত্ৰাধিকাৰগৰাকীক অপদস্থ কৰিছিল বুলিও জানিব পৰা গৈছে। ঘটনা সন্দৰ্ভত ধোপৰগুৰি সত্ৰ পৰিচালনা সমিতিয়ে হাজো আৰক্ষী থানাত দাখিল কৰা এজাহাৰৰ ভিত্তিত ধোপৰগুৰি সত্ৰত আৰক্ষী উপস্থিত হৈ ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। এই ঘটনাক লৈ অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# 'নদ্দী এমভি স্কুলৰ ৰূপৰেখা' শীৰ্ষক গ্ৰন্থ উন্মোচন

**ই-সংবাদ, নলবাৰী, ২২ ডিচেম্বৰঃ** জীৱনৰ মান যিয়ে জুখিব জানে তেওঁ সফল আৰু নমস্য ব্যক্তি। সফল আৰু নমস্য ব্যক্তিক সমাজে দিগ দৰ্শকৰ মান্যতা দিয়ে। জিতেন্দ্ৰ নাথ ডেকা তেনে এগৰাকী নমস্য পুৰুষ। যিয়ে সৌভাগ্য আৰু দুৰ্ভাগ্যক হাঁহি হাঁহি গ্ৰহণ কৰিব শিকিছে। আশা-আদৰ্শ, আৱেগ-অনুভূতি, বিৰহ-মিলন, জয়-পৰাজয়ৰ বিবিধ বোল সনা তেখেতৰ জীৱন ৰথৰ চকা। মাটি আৰু চকাৰ মাজত নিৰন্তৰ চলা সংঘাতে ৰথ আগুৱাই লৈ যায়। মানুহৰ জীৱনো তেনে ঘাত-প্ৰতিঘাত, আনন্দ-নিৰানন্দৰ সমাহাৰ।- এই বক্তব্য বিশিষ্ট সাহিত্যিক, নাট্যকাৰ, কথাশিল্পী ধ্ৰুৱজ্যোতি শৰ্মাৰ। শনিবাৰে মাহেকীয়া সাহিত্য-সংস্কৃতিমূলক আলোচনী 'জোনাক'ৰ উদ্যোগত আৰু বৰনদ্দী গাঁও উন্নয়ন সমিতিৰ সহযোগত বৰনদ্দী বালক মজলীয়া বিদ্যালয়ৰ ডেৰশ বছৰীয়া জয়ন্তী উদযাপনৰ স্মৃতিগ্ৰন্থ 'নদ্দী এম ভি ৰূপৰেখা'ৰ শুভ উন্মোচনী অনুষ্ঠান কৃতী শিক্ষক, সমাজকৰ্মী জিতেন্দ্ৰ নাথ ডেকাৰ বৰনদ্দীস্থিত নিজ বাসভৱনৰ বাকৰিত অনুষ্ঠিত হৈ যায়। হেড পণ্ডিত প্ৰয়াত প্ৰকাশ চন্দ্ৰ বৰুৱাৰ পুত্ৰ, বিশিষ্ট মানৱ চিকিৎসক ডাঃ জগদীশ বৰুৱাই ঐতিহাসিক স্মৃতিগ্ৰন্থখনৰ শুভ উন্মোচন কৰা অনুষ্ঠানটো কৃপানাথ ডেকা আৰু নলিনীবালা ডেকাৰ প্ৰতিকৃতিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে সাহিত্যিক পেঞ্চনাৰ গোকুল চন্দ্ৰ ডেকাই। ডেৰ শতাধিক দৰ্শকেৰে ঢাহ খাই থকা জাকত-জিলিকা অনুষ্ঠানটোত ডেইজী ডেকা-চন্দন শৰ্মা শাস্ত্ৰীয়ে আধুনিক গীত পৰিৱেশন কৰে। স্বৰচিত কবিতা পাঠ কৰে প্ৰণতি চৌধুৰী-সুৰেন্দ্ৰ মোহন দাসে। স্থানীয় নৃত্যশিল্পী ভিতালী চক্ৰৱৰ্তীয়ে নৃত্য প্ৰদৰ্শন কৰা সভাখনত, সভাৰ মধ্যমণি, ৮৯ সংখ্যক জন্মদিন পালন কৰা জিতেন্দ্ৰ নাথ ডেকাই নিজৰ ভাষণত কয় যে মোৰ বাবে আজিৰ দিনটো এক অন্যতম মাইলৰ খুঁটি, মোৰ ওপজা দিনটোত অধিক মনোগ্ৰাহী কথা হ'ল নদ্দীৰ গৌৰৱ এম ভি স্কুলৰ অতীতৰ তথ্য সম্বলিত এখন মোৰ দ্বাৰা সম্পাদিত গ্ৰন্থ উন্মোচন। সমজুৱাৰ ফালৰ পৰা জিতেন্দ্ৰ নাথ ডেকাৰ সহধৰ্মিণী, সাহিত্যিক পেন্সনাৰ মামণি ডেকা, শিক্ষাবিদ ভগৱান চন্দ্ৰ ডেকা, অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক প্ৰণৱ কুমাৰ শৰ্মা, অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক অনিল কুমাৰ ভট্টাচাৰ্যই চমু মন্তব্য আগবঢ়োৱা অনুষ্ঠানটোত শলাগৰ শৰাই আগবঢ়ায় শিক্ষক-সমাজকৰ্মী জয়ন্ত ডেকাই। লেখক, কবি, 'জোনাক' আলোচনীৰ মুখ্য সম্পাদক পুলকেশ ৰায় বৰুৱাই আঁত ধৰা অনুষ্ঠানটোত অনেক অনুষ্ঠানে ডেকাক ফুলাম গামোচা-উপহাৰেৰে সম্বৰ্ধনা জ্ঞাপন কৰে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# ডিব্ৰুগড় জিলা সাহিত্য সভাৰ নিৰ্বাচনত ব্যাপক বিসংগতিৰ অভিযোগ

**ই-সংবাদ, ডিব্ৰুগড়, ২২ ডিচেম্বৰঃ** ডিব্ৰুগড় সাহিত্য সভাৰ নিৰ্বাচনক লৈ 'ডিব্ৰুগড় জিলা সাহিত্য সভা' কাৰ্যালয়ত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। জিলা সাহিত্য সভাৰ সভাপতি নিৰ্বাচনক কেন্দ্ৰ কৰি ব্যাপক অনিয়মৰ অভিযোগ তুলি সৃষ্টি হয় এই পৰিস্থিতি। স্বয়ং প্ৰাৰ্থীয়ে লৈ যায় বেলট পেপাৰ। ডিব্ৰুগড় জিলা সাহিত্য সভাৰ নিৰ্বাচনী বিষয়াৰ পৰা এগৰাকী প্ৰাৰ্থীয়ে ২৮খনকৈ শাখাৰ বাবে বেলট পেপাৰ লৈ যোৱাক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। অভিযোগ অনুসৰি অকৰ্তৃত্বশীলভাৱে সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ সদস্য পৰমেশ্বৰ নলবৰীয়াই ২৮ খন শাখাৰ বেলট সংগ্ৰহ কৰি প্ৰাৰ্থী বদন গগৈৰ হাতত অৰ্পণ কৰে। অভিযোগ মতে, পৰমেশ্বৰ নলবৰীয়াই বদন গগৈৰ হৈ প্ৰচাৰ কাৰ্যতো জড়িত আছিল। তদুপৰি বদন গগৈৰ সৈতে ডিব্ৰুগড়লৈ অহা জনৈক ভূঞাৰ হাতত বেলট পেপাৰ চমজাই দিয়া কাৰ্যই নিৰ্বাচনী বিধি ভংগ কৰিছে বুলি অভিযোগ উত্থাপন হৈছে। আনহাতে, বিপিন চন্দ্ৰ দত্ত, সুৰেন্দ্ৰনাথ নেওগ আৰু মুচকান বৰ্মাক লৈ গঠিত নিৰ্বাচনী বিষয়াৰ হাতৰ পৰা কেৱল বেলট পেপাৰ সংগ্ৰহৰ কৰ্তৃত্ব শাখাৰ সভাপতি-সম্পাদকৰ লগতে দায়িত্বপ্ৰাপ্ত শ্ৰৱন কোঁৱৰ আৰু পৰমানন্দ নাথৰহে আছিল। পৰমানন্দ নাথে ১৫ খন শাখাৰ বেলট সংগ্ৰহ কৰে যদিও সভাৰ কাৰ্যালয়লৈ নাহিল শ্ৰৱন কোঁৱৰ। সেয়ে শ্ৰৱন কোঁৱৰৰ সলনি পৰমেশ্বৰ নলবৰীয়াই বেলট সংগ্ৰহ কৰি প্ৰাৰ্থী বদন গগৈৰ সৈতে অহা জনৈক ভূঞাৰ হাতত অৰ্পণ কৰা অদ্ভূত কাণ্ডই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ইফালে, পৰমেশ্বৰ নলবৰীয়াই সংগ্ৰহ কৰা ২৮ খন বেলট পেপাৰক অবৈধ হিচাপে চিহ্নিত কৰি বাতিল কৰিবলৈ দাবী জনাই ডিব্ৰুগড় সাহিত্য সভাই অসম সাহিত্য সভালৈ আৰু সাহিত্য সভাৰ মুখ্য নিৰ্বাচনী বিষয়ালৈ পত্ৰ প্ৰেৰণ কৰিছে। উল্লেখ্য যে ২০২৫-২৭ বৰ্ষৰ সভাপতি পদত প্ৰতিদ্বন্দ্বিতা কৰিছে বিশিষ্ট লেখক, সাহিত্যিক, কাৰ্নৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ শশীকান্ত শইকীয়া, বৰ্তমান জিলা সম্পাদক বদন গগৈ আৰু ভদ্ৰেশ্বৰ গগৈয়ে। ইতিমধ্যে নিৰ্বাচনী প্ৰক্ৰিয়া আৰম্ভ হৈছে আৰু এই প্ৰক্ৰিয়া অহা ২৯ ডিচেম্বৰৰ ভিতৰত সমাপ্ত হ'ব। কিন্তু জিলা সভাপতি তথা নিৰ্বাচনী সমিতিৰ সভাপতি নোমল গগৈৰ দুৰ্বল নেতৃত্বৰ বাবেই ডিব্ৰুগড় জিলা সাহিত্য সভাৰ নিৰ্বাচনত ব্যাপক অনিয়ম, নিৰ্বাচনী বিধি উলংঘন দৰে কাৰ্য সংঘটিত হৈছে বুলিও গুৰুতৰ অভিযোগ উঠিছে। আনহাতে, নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ সম্পূৰ্ণ পৰিচয় সংলগ্ন এটা টোকা বেলট পেপাৰৰ সৈতে দিয়াটো পূৰ্বৰে পৰা প্ৰচলিত যদিও ৰহস্যজনকভাৱে এইবাৰ প্ৰাৰ্থীৰ পৰিচয় পত্ৰ সন্নিবিষ্ট নকৰা বিষয়টো লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিষয়টোক লৈ ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি জ্যোতি বৰগোহাঁই, উপ-সভাপতি যাদৱ গগৈ আৰু সম্পাদক ৰাতুল গোহাঁয়ে কয় যে নিয়মমাফিক নিৰ্বাচন অনুষ্ঠিত কৰি নিৰ্বাচনৰ নীতি-নিয়ম উলংঘন কৰি নিৰ্বাচনী সমিতিয়ে পক্ষপাতমূলক ভূমিকা গ্ৰহণ কৰিছে। ইতিমধ্যে দেশ -বিদেশতো যথেষ্ট পৰিচয় থকা তথা অৰ্ধ শতাধিক গ্ৰন্থ প্ৰণয়ন কৰা ড০ শশীকান্ত শইকীয়াৰ দৰে প্ৰাৰ্থীৰ তুলনাত আন দুজন প্ৰাৰ্থী নগণ্য হোৱা বাবেই এনে কৰা বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। ১৮৯৩ চনতে গঠিত ডিব্ৰুগড় সাহিত্য সভাই ইতিমধ্যে সমগ্ৰ বিষয় সন্দৰ্ভত অসম সাহিত্য সভাৰ সভাপতি ড০ সূৰ্যকান্ত হাজৰিকাসহ সম্পাদক আৰু মুখ্য নিৰ্বাচনী বিষয়ালৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰি ইয়াৰ সুবিচাৰৰ দাবী কৰিছে।

# ডুমডুমা শাখা সাহিত্য সভাৰ অধিৱেশন

**ই-সংবাদ, ডুমডুমা, ২২ ডিচেম্বৰঃ** অসম সাহিত্য সভাৰ এটি অন্যতম তথা উল্লেখযোগ্য শাখা ডুমডুমা শতদল শাখা সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেশনখনি অহা ২৯ ডিচেম্বৰত শাখাৰ নিজা ভৱনৰ বাকৰিত দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি, ২৯ ডিচেম্বৰৰ পুৱা ৮.৪৫ বজাত পতাকা উত্তোলনৰ পিছতেই শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হ'ব। অনুষ্ঠানত শাখাৰ প্ৰয়াত সভাপতি আৰু সম্পাদকসকললৈ বিশেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হ'ব। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ মুকলি কৰিব শাখাৰ উপ-সভাপতি জয়সূৰ্য বৰাই। পুৱা ৯.১৫ বজাত স্মৃতি তৰ্পণ কৰিব শাখাৰ সম্পাদক দেৱেন ডেকাই। দিনৰ ১১ বজাৰ পৰা আৰম্ভ হ'ব বিষয়-বাচনি সভা। আনহাতে, দিনৰ ১.৩০ বজাত 'ধ্ৰুপদী ভাষাৰ মৰ্যাদা আৰু আমাৰ কৰণীয়' শীৰ্ষক এখনি আলোচনা সত্ৰ তথা মুকলি সভা অনুষ্ঠিত হ'ব। অনুষ্ঠানত আমন্ত্ৰিত বক্তা হিচাপে ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ কমলেশ্বৰ কলিতা উপস্থিত থকাৰ লগতে আমন্ত্ৰিত অতিথি হিচাপে কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। মুকলি সভাতেই শাখাৰ পত্ৰিকা সম্পাদক দ্বিজেন শৰ্মাৰ সম্পাদনাত প্ৰকাশ পাবলগীয়া এখনি পত্ৰিকা উন্মোচন কৰা হ'ব। বিয়লি ৩.৩০ বজাত বঁটা বিতৰণী আৰু সম্বৰ্দ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। উল্লেখ্য যে অধিৱেশনৰ লগত সংগতি ৰাখি দেওবাৰে দিনৰ ১১ বজাত শাখাৰ ভৱনত 'ক' আৰু 'খ' শাখাত ছাত্ৰ-ছাত্ৰীৰ মাজত বক্তৃতা আৰু অসমীয়া শব্দৰ বানান লিখা প্ৰতিযোগিতা অনুষ্ঠিত হয়। অধিৱেশনৰ প্ৰতিটো কাৰ্যসূচীতে সাহিত্যপ্ৰেমী আৰু শাখাৰ সভ্যৰ লগতে ৰাইজৰ উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে।

# হাজোত অমিত শ্বাহৰ প্ৰতিকৃতি দাহ

**ই-সংবাদ, হাজো, ২২ ডিচেম্বৰঃ** কামৰূপৰ হাজোত কামৰূপ জিলা এন এছ ইউ আয়ে শনিবাৰে দেশৰ গৃহমন্ত্ৰী অমিত শ্বাহৰ প্ৰতিকৃতি দাহ কৰে। সন্ধিয়াৰ ভাগত হাজোৰ কলিতাকুছিত কামৰূপ জিলা এন এছ ইউ আইয়ে সাব্যস্ত কৰে তীব্ৰ প্ৰতিবাদ। হাজোৰ ৰাজপথত গৃহমন্ত্ৰীৰ প্ৰতিকৃতি দাহ কৰে কামৰূপ জিলা এন এছ ইউ আয়ে। সংবিধান প্ৰণেতা ড০ ভীমৰাও আম্বেদকাৰৰ বিৰুদ্ধে আপত্তিজনক মন্তব্য কৰাক লৈ তীব্ৰ প্ৰতিবাদ কৰাৰ লগতে হাজোৰ কলিতাকুছি চ'কত প্ৰতিকৃতি দাহ কৰে কামৰূপ জিলা এন এছ ইউ আয়ে। গৃহমন্ত্ৰী অমিত শ্বাহক ক্ষমা খোজাৰ দাবীৰে উত্তাল কৰি তোলে হাজোৰ ৰাজপথ। শতাধিক কংগ্ৰেছ আৰু এন এছ ইউ আই নেতা-কৰ্মীয়ে অংশ গ্ৰহণ কৰে এই প্ৰতিবাদত। আনহাতে, ৰাজভৱনত কংগ্ৰেছৰ প্ৰতিবাদত মৃত্যুক সাবতি লোৱা কংগ্ৰেছ নেতা মৃদুলৰ আত্মাৰ শান্তি কামনা কৰাৰ লগতে পৰিয়াল বৰ্গলৈ সমবেদনা জনায়।

# বিশিষ্ট জিকিৰ-জাৰিৰ শিল্পী তজমল হুছেইনৰ জীৱনাৱসান



**ই-সংবাদ, বেবেজীয়া, ২২ ডিচেম্বৰঃ** নগাঁও জিলাৰ জাজৰি নিবাসী বিশিষ্ট জিকিৰ-জাৰিৰ শিল্পী, সমাজকৰ্মী তজমল হুছেইনৰ শুকুৰবাৰে নিশা উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭০ বছৰ। দীৰ্ঘদিন ধৰি জিকিৰ আৰু জাৰিৰ চৰ্চাত নিমগ্ন থকা হুছেইনে ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে উল্লেখনীয় অৰিহনা যোগাই আহিছিল। অসমৰ বিভিন্ন প্ৰান্তত জিকিৰ আৰু জাৰি নৃত্যৰ পৰিৱেশন কৰা জ্যেষ্ঠ শিল্পীগৰাকীয়ে নিজৰ জন্মভূমি জাজৰি অঞ্চলকো ৰাজ্যবাসীৰ সন্মুখত পৰিচয় কৰাই দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। তেওঁ চৈয়দ মাৰুফ হুছেইনৰ সহযোগিতাত গুৱাহাটীৰ দিছপুৰত এই জাৰি নৃত্য প্ৰদৰ্শন কৰি উচ্চ প্ৰশংসিত হোৱাৰ বিপৰীতে মৃত্যুৰ প্ৰায় এমাহ পূৰ্বে শেষবাৰৰ বাবে জাজৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহত জাৰি নৃত্য পৰিৱেশন কৰি সকলোৰে বেছ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। আকাশবাণী নগাঁও কেন্দ্ৰত বহুকেইবাৰ জিকিৰ আৰু জাৰি পৰিৱেশন কৰা হুছেইনক ২০২২ চনত সদৌ অসম গৰীয়া জাতীয় পৰিষদে বিশেষভাৱে সন্মান জনোৱাৰ বিপৰীতে কিছুদিনৰ আগতে অসম ন্যাসৰ সহযোগিতাত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ দ্বাৰাও তেওঁ সন্মানিত হৈছিল। জানিব পৰা মতে, প্ৰয়াত জিকিৰ সম্ৰাট ৰেকিবুদ্দিন আহমেদ আৰু চৈয়দ আব্দুল মালিকে জিকিৰ আৰু জাৰী সংৰক্ষণ কৰিবৰ উদ্দেশ্যে জাজৰিলৈ আহোতে দুয়োৰে সংগ লাভ কৰিয়েই তজমল হুছেইন জিকিৰ আৰু জাৰিৰ প্ৰতি আকৃষ্ট হৈছিল। সৎ আৰু অমায়িক প্ৰকৃতিৰ হুছেইনৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰাৰ বিপৰীতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তি বিশেষে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনাইছে। মৃত্যুৰ সময়ত তেওঁ দুজন পুত্ৰ, এগৰাকী কন্যা সন্তানসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়। ইফালে, শনিবাৰে অঞ্চলৰ সহস্ৰাধিক লোকৰ উপস্থিতিত তেওঁৰ জানাজাৰ নামাজ সম্পন্ন কৰা হয়।

# ড্ৰাগছৰ বিৰুদ্ধে হাজোত আৰক্ষীৰ অভিযান

**ই-সংবাদ, হাজো, ২২ ডিচেম্বৰঃ** হাজো আৰক্ষী থানাৰ অন্তৰ্গত বৰ্ণিত শুকুৰবাৰে নিশা আৰক্ষীয়ে ড্ৰাগছৰ বিৰোধী অভিযান চলায়। আৰক্ষীৰ অভিযানত ২৩টা ড্ৰাগছ ভৰ্তি কন্টেইনাৰসহ ৰফিক আলী নামৰ এজন সৰবৰাহকাৰীক আটক কৰে। বৰ্ণিৰ শান্তিপুৰৰ ৰফিক আলী নামৰ যুৱকজনে পিন্ধি থকা জেকেটৰ ভিতৰত ভৰাই আনিছিল ড্ৰাগছখিনি। আৰক্ষীয়ে জব্দ কৰা ড্ৰাগছখিনি সন্দেহযুক্ত হেৰ'ইন পাউদাৰ। লগতে আৰক্ষীয়ে ৰফিক আলীৰ পৰা নগদ ৫২১০টকা, এটা ম'বাইল ফোন আৰু এখন চাৰিচকীয়া ছুইফ্ট বাহনো জব্দ কৰে। জব্দকৃত বিলাসী বাহনখনৰ নম্বৰ এএছ-০১ এএ-২১১৫। ৰফিক আলীয়ে নিজ বাসগৃহৰ পৰাই দীৰ্ঘদিন ধৰি ড্ৰাগছ সৰবৰাহ কৰাৰ অভিযোগ ৰাইজৰ। সম্প্ৰতি আৰক্ষীয়ে অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে ৰফিক আলীক।

# দলগাঁৱৰ শিয়ালমাৰী শিক্ষা খণ্ডৰ স্কুলত শিক্ষণ-শিকন সামগ্ৰীৰ প্ৰদৰ্শনী সম্পন্ন

**ই-সংবাদ, খাৰুপেটীয়া, ২২ ডিচেম্বৰঃ** দৰং জিলাৰ দলগাঁও শিয়ালমাৰী শিক্ষা খণ্ডৰ অন্তৰ্গত বালাবাৰী শ্বেৰপুৰ মণ্ডল সমল কেন্দ্ৰৰ কেন্দ্ৰ সমন্বয়ক হুছেইন মহম্মদ এৰ্শ্বাদ আলমৰ উদ্যোগত আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সহযোগত শনিবাৰে শ্যামাবাৰী পূব যোগীপাৰা প্ৰাথমিক বিদ্যালয় প্ৰাংগণত বুনিয়াদী স্বাক্ষৰতা আৰু সাংখ্যিকতাৰ শিক্ষণ-শিকন সামগ্ৰীৰ প্ৰদৰ্শনী অনুষ্ঠান আয়োজন কৰা হয়। প্ৰদৰ্শনী অনুষ্ঠানটি শুভ উদ্বোধন কৰে আৰ পি বাহাৰুল ইছলামে। অনুষ্ঠানটিত বালাবাৰী শ্বেৰপুৰ মণ্ডল সমল কেন্দ্ৰৰ ৮খনকৈ বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে হাতেৰে বনোৱা বিভিন্ন ধৰণৰ উদ্ভাৱনীমূলক পাঠভিত্তিক শিক্ষণ-শিকন সামগ্ৰী প্ৰদৰ্শন কৰা হয়। প্ৰদৰ্শনী অনুষ্ঠানত আঠখন বিদ্যালয়ৰ ভিতৰত লিটাৰেছি আৰু নিউমাৰেছি স্তৰত পাৰদৰ্শিতা দেখুৱা প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানপ্ৰাপ্ত বিদ্যালয় বাছনি কৰা হয়। অনুষ্ঠানটিৰ শেষত শ্যামাবাৰী পূব যোগীপাৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক জয়নাল আবদিনৰ সভাপতিত্বত অনুষ্ঠিত বঁটা বিতৰণী সভাত আৰ পি আজিজুৰ ৰহমান উপস্থিত থাকি স্থানপ্ৰাপ্ত বিদ্যালয়সমূহৰ মাজত ট্ৰফী, মেডেল, মানপত্ৰ আদি প্ৰদান কৰে। উক্ত শিক্ষণ-শিকন সামগ্ৰীৰ প্ৰদৰ্শনী অনুষ্ঠান খণ্ড পৰ্যায়ৰ কেবাজনো বিষয়া উপস্থিত থাকি শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাও দেখা যায়।

## আজমলৰ সংগ ত্যাগ ইউডিএফৰ শ্বেখ নুৰুল্লাহৰ

# নগাঁৱত ৩ শতাধিক কৰ্মীক লৈ কংগ্ৰেছলৈ ইউডিএফৰ নেতা

**ই-সংবাদ, বেবেজীয়া, ২২ ডিচেম্বৰঃ** ৰাজ্যত সমাগত পঞ্চায়ত নিৰ্বাচনক কেন্দ্ৰ কৰি ৰাজনৈতিক দলবোৰৰ মাজত তৎপৰতা বৃদ্ধি পাইছে। সকলো ৰাজনৈতিক দলেই নিজৰ সাংগঠনিক স্থিতি মজবুত কৰাৰ দল শক্তিশালী কৰাৰ নিমিত্তে নানা পদক্ষেপ গ্ৰহন কৰিছে। ইয়াৰ মাজতে এ আই ইউ ডি এফ দলৰ নগাঁও জিলা সমিতিৰ সহকাৰী সম্পাদক তথা আমলখি গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি শ্বেখ নুৰুল্লাহে এ আই ইউ ডি এফ দল ত্যাগ কৰি লগত বহুসংখ্যক দলীয় কৰ্মী লৈ কংগ্ৰেছ দললৈ অহাটোয়ে বিশেষ তাৎপৰ্য বহন কৰিছে। জানিব পৰা মতে, এ আই ইউ ডি এফৰ নেতাজনে শনিবাৰে তিনিশতাধিক দলীয় কৰ্মীক লগত লৈ আনুষ্ঠানিকভাৱে কংগ্ৰেছ দলত যোগদান কৰে। এই উপলক্ষে ধিঙৰ ৰাজীৱ ভৱনত বটদ্ৰৱা ব্লক কংগ্ৰেছৰ উদ্যোগত অনুষ্ঠিত হোৱা এখন যোগদান সভাত বিধায়িকা শিৰামণি বৰাৰ উপস্থিতি এ আই ইউ ডি এফৰ নগাঁও জিলা সমিতিৰ সহকাৰী সম্পাদক শ্বেখ নুৰুল্লাহে কংগ্ৰেছত আনুষ্ঠানিকভাৱে যোগদান কৰে। তদুপৰি উক্ত সভাতে কটহগুৰি গাঁও পঞ্চায়তৰ আই ইউ ডি এফৰ নেতা আবু হানিফেও দুকুৰি দলীয় কৰ্মীক লগত লৈ আনুষ্ঠানিকভাৱে কংগ্ৰেছ দলত যোগদান কৰে। সভাত বিধায়িকা শিৰামণি বৰাৰ লগতে বটদ্ৰৱা ব্লক কংগ্ৰেছৰ বিষয়ববীয়াই কংগ্ৰেছ দলৰ নীতি-আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ দলত যোগদান কৰাসকলক ফুলাম গামোচাৰে আদৰণি জনায়। এই যোগদানে দলটোক শক্তিশালী কৰিব বুলি আশা কৰিছে কংগ্ৰেছে।

# সুদক্ষ বিহুৱা গুণাধৰ পাটৰৰ বিয়োগ, দল-সংগঠনৰ অন্তিম শ্ৰদ্ধা

**ই-সংবাদ, মথুৰাপুৰ, ২২ ডিচেম্বৰঃ** চৰাইদেউ জিলাৰ মাইবেলা কৃষিপাম গাঁও নিবাসী, এগৰাকী সুদক্ষ বিহুৱা, চৰাইদেউ হুঁচৰি দলৰ অন্যতম অবিচ্ছেদ্য সদস্য গুণাধৰ পাটৰ(৪৫)ৰ শুকুৰবাৰে পুৱতি নিশা আকস্মিক বিয়োগ ঘটাত শোকস্তব্ধ হৈ পৰিছে চৰাইদেউ জিলাৰ বিভিন্ন মহল। জানিব পৰা মতে, যুৱ-সাংস্কৃতিক কৰ্মীগৰাকী এক জটিল ৰোগত আক্ৰান্ত হোৱা হেতুকে চিকিৎসাৰ বাবে বৰ্হিৰাজ্যৰ চিকিৎসালয়লৈ গৈ উভতি অহা পথত উৰিষ্যাৰ ভুৱনেশ্বৰত আকস্মিকভাৱে মৃত্যুক সাবটি লয়। আজি সন্ধিয়া সাংস্কৃতিক কৰ্মীগৰাকীৰ শৱদেহ তেওঁৰ বাসগৃহ আহি পোৱাৰ লগে লগে এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। পাছত সৰবৰহী, অমায়িক ব্যক্তিত্বৰ সাংস্কৃতিক কৰ্মীগৰাকীৰ শৰদেহত মাইবেলা কৃষিপাম বিহু সন্মিলন, মাইবেলা দৈনিক বজাৰ বিহু সন্মিলন, চৰাইদেউ হুঁচৰি দল, ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ পূব শিলাকুটি আঞ্চলিক সমিতি, চৰাইদেউ কলাকেন্দ্ৰ চেমনীয়া হুঁচৰি দল, চৰাইদেউ কলাকেন্দ্ৰ মাইবেলা শাখা আদি কৰি একাধিক দল-সংগঠন আৰু ব্যক্তি বিশেষে অন্তিম শ্ৰদ্ধা নিবেদন কৰাৰ পাছত অগণন গুণমুগ্ধৰ উপস্থিতিত সন্ধিয়া তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। উল্লেখ্য যে প্ৰয়াত পাটৰে মৃত্যুৰ সময়ত পত্নী আৰু একমাত্ৰ পুত্ৰ সন্তানৰ লগতে অন্যান্য আত্মীয় স্বজনক ইহসংসাৰত এৰি থৈ গৈছে। যুৱ সাংস্কৃতিক কৰ্মীগৰাকীৰ মৃত্যুত দক্ষিণ পূব মণ্ডল অসম সত্ৰ মহাসভা, চৰাইদেউ কলাকেন্দ্ৰ, ক্ষুদ্ৰ চাহ খেতিয়ক সন্থা, মাইবেলা ৰঙালী বিহু সন্মিলনী, চৰাইদেউ প্ৰেছ ক্লাব, মথুৰাপুৰ ছ'চিয়েল ৱেলফেয়াৰ গ্ৰুপ, মথুৰাপুৰ ব'হাগী বিদায় উৎসৱ সমিতি, মথুৰাপুৰ ব্যৱসায়ী সন্থা, মাইবেলা উদয়জ্যোতি সংঘকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

# হাঁহচৰাত অসম চেতিয়া সন্মিলনীৰ চতুৰ্থ প্ৰতিষ্ঠা দিৱস পালন

**ই-সংবাদ, মৰিয়নী, ২১ ডিচেম্বৰঃ** যোৰহাট জিলাৰ হাঁহচৰা বালিকা বিদ্যালয়ৰ খেলপথাৰত যোৱা ২০ ডিচেম্বৰত অসম চেতিয়া সন্মিলনীৰ কেন্দ্ৰীয় চতুৰ্থ প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। পুৱা সন্মিলনীৰ পতাকা উত্তোলন কৰে অসম চেতিয়া সন্মিলনৰ সভাপতি ৰূপেশ্বৰ চেতিয়াই। মৈদাম তৰ্পণ কৰে ক্ৰমে অসম চেতিয়া যোৰহাট জিলা সমিতিৰ সভাপতি ৰঞ্জিত বৰচেতিয়া আৰু উদযাপন সমিতিৰ সভাপতি ভৱ চেতিয়াই। দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হোৱা বান ফি পূজাত মলুঙৰ দায়িত্ব গ্ৰহণ কৰে অৱনি দিহিঙীয়া, প্ৰদীপ বৰুৱাই। চেলেংহাট বৰনগঞাৰ সপ্তসুৰ 'আই চিং লাও' দলৰ দ্বাৰা পৰিৱেশিত টাই ভাষাৰ আই চিং লাওৰে অনুষ্ঠিত যোৰহাট জিলা সমিতিৰ কাৰ্যকৰী সভাপতি বিকাশ চেতিয়াই আঁত ধৰা অসম চেতিয়া সন্মিলনীৰ সভাপতি ডাঃ ৰূপেশ্বৰ চেতিয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে কবিন্দ্ৰ চেতিয়া ফুকনে। সভাত মুখ্য অতিথি হিচাপে পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ সভাপতি অতুল ফুকন, আহোম জাতীয় মহাসভাৰ কাৰ্যকৰী সভাপতি, মহন দেওধাই বাইলুং সন্মিলনীৰ মুখ্য মুখপাত্ৰ, বাইলুং বংশাবলীৰ সাঃ সম্পাদক কনচেং বাইলুং ফুকন, নিৰ্দিষ্ট বক্তা হিচাপে অসম চেতিয়া সন্মিলনীৰ উপদেষ্টা সুৰেন্দ্ৰ নাথ চেতিয়াকে ধৰি বিভিন্ন জিলা সমিতিৰ বিষয়ববীয়া, চেতিয়া জ্ঞাতি-কুটুম্ব উপস্থিত থাকে। মুকলি সভাৰ পিছতেই উক্ত স্থানতেই কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়।

# নামতিত দিবা-নৈশ ক্ৰিকেটত সৃষ্টি দলক হৰুৱাই চেম্পিয়ন কংকন

**ই-সংবাদ, আমগুৰি ২২ ডিচেম্বৰঃ** শিৱসাগৰ জিলাৰ নামতি চাৰিআলি যুৱ সমাজৰ উদ্যোগত, মেট্ৰ ক্লাবৰ সৌজন্যত আৰু বৃহত্তৰ নামতিবাসী ৰাইজৰ সহযোগত অনুষ্ঠিত হোৱা ষষ্ঠদশ বাৰ্ষিক মেগা প্ৰাইজমণি দিবা-নৈশ টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতাখন যোৱা ১৭ ডিচেম্বৰত সামৰণি পৰে। উজনি অসমৰ আই.পি.এল হিচাপে পৰিগণিত সৰ্বমুঠ ৭ লাখ টকা প্ৰাইজমাণি থকা ক্ৰিকেট প্ৰতিযোগিতাখনত খেলুৱৈৰ লগতে দৰ্শককো প্ৰদান কৰা হয় বিভিন্ন ধৰণৰ উপহাৰ। প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন গুৱাহাটীৰ সৃষ্টি গ্ৰুপ আৰু কংকন ১১ গোগামুখ লখিমপুৰৰ মাজত অনুষ্ঠিত হয়। চূড়ান্ত খেলত কংকন ১১ গোগামুখ লখিমপুৰে চেম্পিয়নৰ খিতাপ দখল কৰে। গুৱাহাটীৰ সৃষ্টি গ্ৰুপে প্ৰথমে বেটিং কৰি নিৰ্ধাৰিত ১০ অভাৰত ৬টা উইকেট হেৰুৱাই সংগ্ৰহ কৰে ১১৮ ৰাণ। বিপৰীতে কংকন ১১ গোগামুখ লখিমপুৰে ৯.২ অভাত ২ উইকেট হেৰুৱায় ১২০ ৰাণ কৰি জয়ী হয়। তদুপৰি চূড়ান্ত প্ৰতিযোগিতাত মেন অফ দ্য মেছ লাভ কৰে কংকন ১১ গোগামুখ লখিমপুৰ দলৰ পৰম আলী (মেক্সৱেল)-এ। প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে সৃষ্টি গ্ৰুপ গুৱাহাটী দলৰ তুচাৰ চবৰে। খেলখনত হাজাৰ হাজাৰ ক্ৰিকেটপ্ৰেমীৰ উপস্থিতিয়ে উৎসাহিত কৰিছে উদ্যোক্তাসকলক।

# কাকপথাৰ প্ৰেছ ক্লাবৰ উদ্যোগত আন্তঃবিদ্যালয় ক্ৰীড়া সমাৰোহ সম্পন্ন

**ই-সংবাদ, ডুমডুমা, ২২ ডিচেম্বৰঃ** কাকপথাৰ প্ৰেছ ক্লাবৰ উদ্যোগত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত কৰা আন্ত:বিদ্যালয় ক্ৰীড়া সমাৰোহত শংকৰদেৱ শিশু বিদ্যা নিকেতন, কাকপথাৰে শ্ৰেষ্ঠতা অৰ্জন কৰে। ২০ আৰু ২১ ডিচেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে কাকপথাৰ ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত কৰা সমাৰোহখন উদ্বোধন কৰে তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি অনুজ কলিতাই। ২০ ডিচেম্বৰত দৌৰ, দীঘল জাঁপ, শ্বটপুট, ডিচকাছ থ্ৰ' ইত্যাদি প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ বিপৰীতে ২১ ডিচেম্বৰত কাকপথাৰৰ ডিৰাকস্থিত পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আৰ্দশ মহাবিদ্যালয়ত বক্তৃতা, তৰ্ক আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। দুয়োটা দিনৰ বিভিন্ন প্ৰতিযোগিতাসমূহৰ পুৰস্কাৰৰ ভিত্তিত শংকৰদেৱৰ শিশু বিদ্যা নিকেতন, কাকপথাৰে ২০২৪-২৫ বৰ্ষৰ শ্ৰেষ্ঠ বিদ্যালয় বঁটাৰ সন্মান লাভ কৰিবলৈ সক্ষম হয়। পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আৰ্দশ মহাবিদ্যালয় প্ৰেক্ষাগৃহত প্ৰেছ ক্লাবৰ সভাপতি বিজয় দত্তৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সমাৰোহৰ বঁটা বিতৰণী সভাত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° থানুৰাম মজিন্দাৰ, ডুমডুমা প্ৰেছ ক্লাবৰ সভাপতি মনোজ দত্ত, বিশিষ্ট সাংবাদিক অভিজিত খাটনিয়াৰ, তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ উপ-সভাপতি ৰাতুল কলিতা, সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক বিতু ডেকাকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। বৃহত্তৰ কাকপথাৰ অঞ্চলটোৰ ১১খনকৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা ক্ৰীড়া সমাৰোহখনিত অংশগ্ৰহণ কৰে বুলি কাকপথাৰ প্ৰেছ ক্লাবৰ সভাপতি বিজয় দত্ত, সম্পাদক মিণ্টু তালুকদাৰে জানিবলৈ দিয়াৰ লগতে প্ৰথমবৰ্ষৰ উক্ত ক্ৰীড়া সমাৰোহখনি সফল পৰিসমাপ্তিত সহযোগিতা আগবঢ়োৱাৰ বাবে সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

# লাহৈগড় খেলপথাৰত ক্ৰিকেট টুৰ্ণামেণ্টৰ আয়োজন

**ই-সংবাদ, গেলেকী, ২২ ডিচেম্বৰঃ** বৰছিলা কলা কৃষ্টি সংঘ, তৰুণ সমাজ আৰু ৰাইজৰ সহযোগত অহা ২৬ ডিচেম্বৰৰ পৰা সদৌ অসম ভিত্তিত দিবা টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰয়াত ডাঃ গোলাপ চন্দ্ৰ গায়ন আৰু প্ৰয়াত অকণমান গায়নৰ সোঁৱৰণত লাহৈগড় তৰুণ সমাজ খেলপথাৰত অহা ২৬ ডিচেম্বৰৰ পৰা অনুষ্ঠিত হ'ব এই প্ৰতিযোগিতাখন। ৩২টা দলে অংশগ্ৰহণ কৰিবলগীয়া প্ৰতিযোগিতাখনৰ প্ৰাইজমাণি এক লাখ টকা। দলসমূহে ৯৩৬৫২০৬৭২৩ নম্বৰত যোগাযোগ কৰিব পাৰে।








# ডিকমত দিবা-নৈশ ক্ৰিকেটত চেম্পিয়ন নবাব ইলেভেন

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২২ ডিচেম্বৰঃ** ডিব্ৰুগড় জিলাৰ ডিকম জনকল্যাণ যুৱ সংঘই অনুষ্ঠিত কৰা উত্তম শৰ্মা আৰু আশ্ৰাফ খান সোঁৱৰণী দিবা-নৈশ ক্ৰিকেট প্ৰতিযোগিতাৰ শনিবাৰে নিশা সফল সামৰণি পৰে। চাৰিদিনীয়াকৈ অনুষ্ঠিত দিবা-নৈশ ক্ৰিকেট প্ৰতিযোগিতাত ৰাজ্যৰ কেবাটাও আগশাৰীৰ ক্ৰিকেট দলে অংশগ্ৰহণ কৰে। নাহৰতলী খেলপথাৰত অনুষ্ঠিত আমন্ত্ৰণমূলক প্ৰতিযোগিতাখনৰ মেচসমূহ চাবলৈ প্ৰতিদিনে হাজাৰ হাজাৰ লোকে খেলপথাৰত ভিৰ কৰা পৰিলক্ষিত হয়। হাজাৰ হাজাৰ ক্ৰীড়া প্ৰেমীৰ উপস্থিতিত অনুষ্ঠিত প্ৰাইজমানি ট্ৰফী ক্ৰিকেট খেলৰ ফাইনেল খেলখনত চূড়ান্ত বিজয়ী হয় নবাব ইলেভেন দল। ৰাণাৰ্ছআপ হয় মাইনা ইলেভেন দল। বিজয়ী দলে নগদ ৫০ হাজাৰ টকাসহ ট্ৰফী আৰু ৰাণাৰ্ছআপ দলে নগদ ২০ হাজাৰ টকাসহ ট্ৰফী লাভ কৰে। শনিবাৰে নাহৰতলী খেলপথাৰত অনুষ্ঠিত ফাইনেল খেলখনি ডিকম অঞ্চলৰ সমাজকৰ্মী নিপুল কোঁৱৰে আঁত ধৰে। চূড়ান্ত খেলখনত মুখ্য অতিথি হিচাপে চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱা, সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ উপ-সভাপতি অজয় গগৈ, চাহ উদ্যোগী চান্দ গোঁহাই, চন্দ্ৰজিৎ বৰুৱা, নুৰ আলম খান আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে। ফাইনেল খেলখন আৰম্ভ হোৱাৰ পূৰ্বে ডিকম জাতীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিহু নৃত্য আৰু ডিকমৰ চাহ জনগোষ্ঠীৰ সাংস্কৃতিক দলে ঝুমুৰ নৃত্য প্ৰদৰ্শন কৰে। খেলপথাৰত জোনাই সম-জিলাত ৰাজহ বিভাগৰ উপ-পঞ্জীয়ক হিচাপে কৰ্মৰত এইবাৰ অসম লোকসেৱা আয়োগৰ পৰীক্ষাত উত্তীৰ্ণ বিবেক শৰ্মাক ডিকমবাসীৰ হৈ ডিকমজ্যোতি জনকল্যাণ সংঘই সম্বৰ্ধনা জ্ঞাপন কৰে। বিবেক শৰ্মাক সম্বৰ্ধনা জ্ঞাপন কৰে চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাই। ডিকম জ্যোতি জনকল্যাণ সংঘই প্ৰয়াত উত্তম শৰ্মা আৰু প্ৰয়াত আশ্ৰাফ খানৰ স্মৃতি সজীৱ ৰাখিবলৈ প্ৰয়াস কৰি দিবা-নৈশ ক্ৰিকেটৰ আয়োজন কৰাত আৰু প্ৰতিযোগিতাত সহায় কৰা ডিকম অঞ্চলৰ যুৱ ব্যৱসায়ী, সমাজকৰ্মী আছলাম খান আৰু দিপাংকৰ দত্তক ভূয়সী প্ৰশংসা কৰিছে ডিকমবাসীয়ে। প্ৰতিযোখিতাখনে খেলৰ পৰিৱেশ গঢ়িব বুলিও আশা কৰিছে স্থানীয় ৰাইজে।

# মহিলা টি টুৱেণ্টিত ৰঙিয়া জিলা ক্ৰীড়া সন্থা চেম্পিয়ন

**ই-সংবাদ, ৰঙিয়া, ২২ ডিচেম্বৰঃ** ৰঙিয়াত ভাৰতীয় জনতা পাৰ্টিৰ ৰাজ্যিক সভাপতি তথা স্থানীয় বিধায়ক ভৱেশ কলিতাৰ উদ্যোগত তথা ভাৰতীয় জনতা যুৱ মৰ্চাৰ ৰঙিয়া নগৰ মণ্ডলৰ সহযোগত দুদিনীয়াকৈ অনুষ্ঠিত মহিলা টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ আজি সামৰণি পৰে। ৰঙিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত প্ৰতিযোগিতাৰ চূড়ান্ত খেলত ৰঙিয়া জিলা ক্ৰীড়া সন্থাই বিলাসীপাৰা জিলা ক্ৰীড়া সন্থাৰ বিপৰীতে অৱতীৰ্ণ হৈ বিজয়ীৰ খিতাপ অৰ্জন কৰে। আনহাতে বেদশ্ৰী বৰপাত্ৰ গোহাঁইয়ে মেচৰ শ্ৰেষ্ঠ আৰু পৰিস্মিতা বৰাই প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে। প্ৰতিযোগিতাৰ অন্তত অনুষ্ঠিত বঁটা বিতৰণী অনুষ্ঠানত স্থানীয় বিধায়ক তথা ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতা, উত্তৰ কামৰূপ জিলা বিজেপিৰ সভাপতি সুবল পাল, ৰঙিয়া জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক মুকুটানন্দ ভট্টাচাৰ্য উপস্থিত থাকি বঁটাসমূহ বিতৰণ কৰে।

# যোৰহাটত মহিলা প্ৰীতি ফুটবল উদ্বোধন মন্ত্ৰী অতুল বৰাৰ

**ই-সংবাদ, পশ্চিম যোৰহাট, ২২ ডিচেম্বৰঃ** অগপ অসম যুৱ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সৌজন্যত যোৰহাট জিলা সমিতিৰ সহযোগত যোৰহাট জিলাৰ চাৰিওটা বিধানসভা সমষ্টি ভিত্তিত যোৰহাট ছকাৰ ফুটবল টুৰ্নামেণ্ট ১৭ ডিচেম্বৰৰ পৰা অনুষ্ঠিত হৈ আছে। দ্বিতীয় পৰ্যায়ৰ দুখন খেল শনিবাৰে পুৰণিমাটি হাইস্কুল খেলপথাৰত অনুষ্ঠিত হয়। প্ৰথমখন খেল বেজেফা এফ চি আৰু ইউনাইটেড যোৰহাটৰ মাজত অনুষ্ঠিত হোৱাৰ পাছতে জে পি পি এফ চি আৰু পাম চিং এফ চি-ৰ মাজত দ্বিতীয়খন খেল অনুষ্ঠিত হয়। খেল দুখনত জয়ী হয় ইউনাইটেড যোৰহাট আৰু জে পি পি এফ চি। তাৰপিছতে চকলাটিং চাহবাগিচা আৰু টীয়ক চেনীজানৰ মহিলা দলৰ মাজত প্ৰীতি ফুটবল খেল অনুষ্ঠিত হয়। এই খেল আনুষ্ঠানিকভাৱে উদ্বোধন কৰি কৃষি দপ্তৰৰ মন্ত্ৰী অতুল বৰাই খেলুৱৈসকলক উৎসাহিত কৰে। উল্লেখ্য, অসম যুৱ পৰিষদে আয়োজন কৰা যোৰহাট জিলাৰ চাৰিটা বিধান সভা ভিত্তিত অনুষ্ঠিত যোৰহাট ছকাৰ ফুটবল টুৰ্নামেণ্টৰ ২৪ ডিচেম্বৰত চূড়ান্ত খেল পুৰণিমাটি হাইস্কুল খেলপথাৰত অনুষ্ঠিত হ'ব।



ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ৫টা উইকেট দখলৰ পিছত উল্লাস ৰেণুকা সিঙৰ, বদোদৰাত দেওবাৰে

## মহিলা ক্ৰিকেটত স্মৃতি মান্ধানাৰ বিশেষ অভিলেখ

# ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে প্ৰথম এদিনীয়াত ২১১ৰানত জয়ী ভাৰত

**বদোদৰা, ২২ ডিচেম্বৰঃ** ভাৰতীয় মহিলা দলে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ২১১ ৰানৰ বৃহৎ ব্যৱধানত জয়লাভ কৰিছে। এদিনীয়া শৃংখলাৰ প্ৰথমখন খেলত আধিপত্য বিস্তাৰ কৰে হৰমনপ্ৰীত কৌৰে। মেচখনত স্মৃতি মান্ধনায়ো অভিলেখ গঢ়িবলৈ সমৰ্থ হয়। তেওঁ এবছৰত সৰ্বাধিক ৰান সংগ্ৰহ কৰে। দেওবাৰে মান্ধনাই মাত্ৰ ৯ ৰানৰ বাবে শতকৰ পৰা বঞ্চিত হয়। ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে প্ৰথমে বেটিং কৰি ভাৰতে ৩১৪ ৰান সংগ্ৰহ কৰে। মান্ধনাই ৯১ ৰান সংগ্ৰহ কৰে। চলিত বৰ্ষত এই পৰ্যন্ত সকলো ধৰণৰ ক্ৰিকেটত তেওঁ ১৬০২ ৰান সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। যিটো মহিলা ক্ৰিকেটৰ যিকোনো বেটাৰে এবছৰত সংগ্ৰহ কৰা সৰ্বাধিক ৰান। ৩৬খন মেচত তেওঁ এই ৰান সংগ্ৰহ কৰিছে। ইয়াৰ ভিতৰত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ১৪৯ ৰানৰ ইনিংছ সৰ্বাধিক। ইয়াৰ পূৰ্বে এবছৰত মহিলা ক্ৰিকেটত কোনো বেটাৰে ১৬০০ ৰানৰ সীমা অতিক্ৰম কৰিব পৰা নাই। দেওবাৰে মান্ধনাই উলৱৰ্থৰ অভিলেখ ভংগ কৰে। তেওঁ এবছৰত ১৫৯৩ ৰান সংগ্ৰহ কৰে। ৩১৫ ৰানৰ বিজয় লক্ষ্যলৈ কেৰিবিয়ান দলটোৱে ২৬ ৰানতে ৫টা উইকেট হেৰুৱায়। ৰেনুকা সিঙৰ বলিঙৰ সমুখত তিষ্ঠিব নোৱাৰি কেৰিবিয়ান ক্ৰিকেটাৰসকলে জয়ৰ আশা হেৰুৱাই ১০৩ ৰানত ইনিংছ সামৰে। ভাৰতৰ হৈ ৰেনুকাই ৫টা উইকেট দখল কৰে। তেওঁ মেচখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে। আনহাতে প্ৰিয়া মিশ্ৰই ২ টা, টিটাছ সাধু আৰু দীপ্তি শৰ্মাই এটাকৈ উইকেট দখল কৰে।

# দলগাঁৱত খেল মহাৰণ ২.০ৰ সমষ্টি পৰ্যায়ৰ প্ৰতিযোগিতা

**ই-সংবাদ, খাৰুপেটীয়া, ২২ ডিচেম্বৰঃ** অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ অধীনত সমগ্ৰ ৰাজ্যখনৰ লগতে দৰঙতো জিলা প্ৰশাসন আৰু দৰং জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ৰ সহযোগত খেল মহাৰণ দ্বিতীয় সংস্কৰণৰ গাঁও পঞ্চায়ত পৰ্যায়ৰ প্ৰতিযোগিতাৰ সফল সমাপ্তিৰ পিছত সমষ্টি পৰ্যায়ৰ প্ৰতিযোগিতা জিলাখনৰ ছিপাঝাৰ, মঙলদৈ সমষ্টিৰ পিছত ২২-২৩ ডিচেম্বৰত দলগাঁও সমষ্টিৰ দলগাওঁ টাউন খেলপথাৰত উদ্বোধন হয়। পুৱা ৭-৩০বজাত পতাকা উত্তোলন কৰে সম-জিলা অতিৰিক্ত আয়ুক্ত গোপাল শৰ্মাই। ৮বজাৰ পৰা এথলেটিকছ,কাবাদী,ফুটবল প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয়। দিনৰ এক বজাত উদ্বোধনী অনুষ্ঠানৰ আদৰণী ভাষণ আগবঢ়ায় জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতীয়ে। খেল উদ্বোধনী ভাষণ দিয়ে সাংসদ দিলীপ শইকীয়াই। অনুষ্ঠানত প্ৰাক্তন ৰাষ্ট্ৰীয় ফুটবলাৰ প্ৰফুল্ল শইকীয়া আৰু আন্তঃৰাষ্ট্ৰীয় যোগ খেলুৱৈ দৃষ্ণা জে আৰ চন্দ্ৰাক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত সমূহীয়া ব্যায়াম, ভিন্ন জাতি-জনগোষ্ঠীয় সাংস্কৃতিক কাৰ্যসূচী প্ৰদৰ্শন কৰে কৌপাটীৰ দলে। অনুষ্ঠানত জিলা অতিৰিক্ত আয়ুক্ত গৌৰি প্ৰিয়া দেউৰী, জিলা ক্ৰীড়া বিষয়া বিষ্ণুজ্যোতি কলিতা আদি উপস্থিত থাকে। আজিৰ খেলৰ ১৬অনূৰ্ধ ছোৱালী কাবাদীত শিলবৰী আৰু ল'ৰা শাখাত লালপুল গাঁও পঞ্চায়ত বিজয়ী হয়। অনূৰ্ধ ২০ ল'ৰা শাখাত বাহাবাৰী গাঁও পঞ্চায়ত বিজয়ী হয়। ফুটবলৰ অনূৰ্ধ ১৭ত চকৰাবস্তি পঞ্চায়ত বিজয়ী হয়।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com,
যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক
ধ্ৰুৱজ্যোতি ধনন্তৰি